সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ১৭ সংখ্যা, ১৫ বহাগ, ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ / ১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 17 Date Of Publication - 28 April 2024 Rs.10.00/-

## চাকৰি নথকা পৰিয়ালৰ প্ৰাৰ্থীক অতিৰিক্ত ১০ নম্বৰ দিয়াৰ ব্যৱস্থা কৰা হ'বঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- লোকসভা নিৰ্বাচনৰ অহা ৭ মে' ত ভোটগ্ৰহণ হ'বলগীয়া তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰকাৰ্য আৰম্ভ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তৃতীয় পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া গুৱাহাটী, বৰপেটা, কোকৰাঝাৰ আৰু ধুবুৰী লোকসভাৰ ভিতৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৰপেটা, কোকৰাঝাৰ আৰু গুৱাহাটীত তিনিখন হাইভল্টেজ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৰপেটা লোকসভাৰ অগপ তথা মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ হৈ সৰ্থেবাৰীত, কোকৰাঝাৰ লোকসভাৰ ইউপিপিএল তথা মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ মানাহ বিধানসভা সমষ্টিত আৰু গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি তথা মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ হৈ মিৰ্জাত নিৰ্বাচনী প্ৰচাৰ চলায়। তিনিওখন নিৰ্বাচনী প্ৰচাৰ সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক লাখ নিযুক্তি সফলতাৰে সম্পূৰ্ণ হোৱাৰ পাছত এতিয়া চৰকাৰে পুনৰ ৫০ হাজাৰ নিযুক্তি আৰম্ভ কৰাৰ ঘোষণা কৰি কয় যে এইবাৰ নিযুক্তিৰ ক্ষেত্ৰত চৰকাৰী চাকৰি নথকা পৰিয়ালৰ প্ৰাৰ্থীক অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব। একেটা পৰিয়ালতে যাতে দুই-তিনিটাকৈ চাকৰি নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি চাকৰি নথকা পৰিয়ালৰ প্ৰাৰ্থীক এইবাৰ অতিৰিক্তকৈ ১০ নম্বৰ দিয়াৰ ব্যৱস্থা কৰা হ'ব। পৰিয়ালত চৰকাৰী চাকৰিয়াল নথকা প্ৰাৰ্থী সাক্ষাৎকাৰত অৱতীৰ্ণ হ'লেই অতিৰিক্ত ১০ নম্বৰকৈ লাভ কৰিব। সৰ্থেবাৰীৰ নিৰ্বাচনী প্ৰচাৰ সভাখনত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে সমষ্টি পুনৰ নিৰ্ধাৰণৰ ফলত বৰপেটা লোকসভা সমষ্টিত এইবাৰ নলবাৰী, বৰক্ষেত্ৰী, হাজো, শুৱালকুছিকে ধৰি বহু নতুন অঞ্চল অন্তৰ্ভুক্ত হৈছে। সেইবাবে এইবাৰ লোকসভা নিৰ্বাচনত অগপ তথা বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰী নিশ্চিতভাৱে বিজয়ী হ'ব। ইতিমধ্যে ১০ টা লোকসভা সমষ্টিৰ বাবে নিৰ্বাচন অনুষ্ঠিত হৈছে আৰু এই নিৰ্বাচনত বিজেপি দলে অতি সুন্দৰ প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে। এতিয়া বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়াম সকলোতে বিজেপি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমখনক আগুৱাই নিয়াৰ বাবে যোৱা ১০ বছৰে যিধৰণে কাম কৰিলে তাৰ কৃতজ্ঞতা হিচাপে এইবাৰ অসমৰ ৰাইজে হিয়া উজাৰি নৰেন্দ্ৰ মোদীক ভোটপ্ৰদান কৰিছে।

## মণিপুৰত উগ্ৰপন্থীৰ গুলীবৰ্ষণ



ৰঙিলী বাৰ্ত্তাসেৱা- লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ অন্ত পৰাৰ পাচতেই পুনৰ হিংসাত্মক কাৰ্যকলাপ সংঘটিত হয় মণিপুৰত। মণিপুৰত কুকি উগ্ৰপন্থীৰ আক্ৰমণত শ্বহীদ হ'ল অসমৰ এজন জোৱান। ৰাজ্যখনৰ নৰসেনা অঞ্চলত কুকি উগ্ৰপন্থীৰ আক্ৰমণত চি আৰ পি এফৰ দুজন জোৱান শ্বহীদ হয়। পুৱতি নিশা মণিপুৰৰ বিষ্ণুপুৰ জিলাৰ নৰসেনাস্থিত চিআৰপিএফৰ এটা চকীত অস্ত্ৰধাৰী দুষ্কৃতিকাৰীয়ে গুলীচালনা কৰে। কুকি উগ্ৰপন্থীয়ে চিআৰপিএফ শিবিৰলৈ লক্ষ্য কৰি দুঘণ্টা ধৰি নিৰ্বিচাৰ গুলীবৰ্ষণ কৰে। এই আক্ৰমণৰ ফলত দুগৰাকী জোৱান নিহত হয় আৰু দুগৰাকী জোৱান আহত হয়। নিহত জোৱান দুজন উপ পৰিদৰ্শক নাছিৰুদ্দিন সৰকাৰ আৰু হেড কনিষ্টবল অৰূপ ছাইনী বুলি জানিব পৰা গৈছে। ইয়াৰে উপ-পৰিদৰ্শক নাছিৰ উদ্দিন সৰকাৰ আছিল বৰপেটাৰ ভেল্লাৰ বনবৰীয়া গাঁৱৰ। আহত জোৱান দুজন হ'ল যাদব দাস আৰু আফতাব হুছেইন। চিআৰপিএফৰ ১২৮ নং বেটেলিয়নত কৰ্মৰত নাছিৰুদ্দিন সৰকাৰ তথা বাহিনীৰ এটা দল মণিপুৰৰ বিষ্ণুপুৰ জিলাৰ নাৰানসেনা নামৰ অঞ্চলটোত

(দহ পৃষ্ঠাত চাওক)

## গুজৰাটৰ পোৰবন্দৰত বিশাল নিৰ্বাচনী সমাৰেশত অংশগ্ৰহণ কেন্দ্ৰীয় মন্ত্ৰী




ৰঙিলী বাৰ্ত্তাসেৱা- অহা ৭ মে'ত তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণক লৈ গুজৰাটত প্ৰচাৰ অভিযানে তীব্ৰতৰ ৰূপ লৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে পোৰবন্দৰত বিশাল নিৰ্বাচনী সমাৰেশত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী তথা বিজেপিৰ প্ৰাৰ্থী মনসুখ মাণ্ডাভিয়াৰ হৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে পোৰবন্দৰত বিশাল সমাৰেশ সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত কৰিবলৈ ভোটাৰসকলক আহ্বান জনায়। বিজেপিয়ে লোকসভাত হেটট্ৰিক

(দহ পৃষ্ঠাত চাওক)

## দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ হোৱা ৫ খন আসনৰ ৪ খনত বিজেপি জয়ী হ'বঃ মুখ্যমন্ত্ৰী

ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হোৱা ৰাজ্যখনৰ পাঁচখন আসনৰ ভিতৰত চাৰিখনত বিজেপি জয়ী হ'ব আৰু এখনত প্ৰতিদ্বন্দ্বিতা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে প্ৰথম পৰ্যায়ৰ পাঁচখন আসনতে বিজেপি জয়ী হ'ব। দ্বিতীয় পৰ্যায়ত চাৰিখনত জয়ী হ'ব। প্ৰথম আৰু দ্বিতীয় পৰ্যায় মিলি বিজেপিয়ে ৯ খন আসনত জয়ী হ'ব। তৃতীয় পৰ্যায়ত হ'বলগীয়া চাৰিখন আসনৰ ভিতৰত তিনিখনত বিজেপি মিত্ৰজোঁট জয়ী হোৱাত কোনো সন্দেহ নাই। সেই অনুসৰি ১৪ খন আসনৰ ভিতৰত ৰচখনত বিজেপি মিত্ৰজোট জয়ী হ'ব আৰু এখনত প্ৰতিদ্বন্দ্বিতা হৈছে।

(দহ পৃষ্ঠাত চাওক)

আপোনালোকৰ লিখনী/মতামত আৰু তথা সমাজৰ উন্নতিৰ হকে থকা চিন্তাবোৰ আমালৈ প্ৰেৰণ কৰিব পাৰে।
আপোনাৰ লিখনী/মতামত সমূহ অফলাইন তথা অনলাইন মাধ্যম যোগে প্ৰকাশ কৰা হ'ব। লিখনি সমূহ
WhatsApp - 9854215286
Email - rongilibartamedhi@gmail.com যোগে পঠাব পাৰে।
Do follow us on Facebook, Twitter and Instagram as - rongilibarta

# মহানগৰীত কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৰ প্ৰতিমূৰ্তি দাহ



ৰঙিলী বাৰ্তাসেৱা- মহানগৰীৰ গণেশগুৰিত আম আদমী পাৰ্টিৰ স্বেচ্ছাসেৱক সকলে দাহ কৰে কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৰ প্ৰতিমূৰ্তি। অৰুণাচলত বসবাস কৰা চাকমা-হাজং শৰণাৰ্থী সকলক অসমত সংস্থাপনৰ বিৰোধিতাৰে আপ অসমৰ স্বেচ্ছাসেৱক সকলে পালন কৰে এই প্ৰতিবাদী কাৰ্যসূচী। অসমৰ সচেতন জনসাধাৰণে চৰকাৰৰ এই জাতি ধ্বংসী সিদ্ধান্ত কোনো পধ্যেই মানি নলয় বুলি বি জে পি নেতৃত্বাধীন কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰক সকীয়াই দিয়ে আপৰ নেতা - কৰ্মী সকলে। প্ৰায় এঘণ্টা ধৰি প্ৰতিবাদত উত্তাল হয় গণেশগুৰিৰ ট্ৰেফিক পইন্ট। আপৰ প্ৰতিবাদ কাৰী সকলক আৰক্ষীয়ে বাধা প্ৰদান কৰে। আৰক্ষীৰ প্ৰতিৰোধৰ মাজতে আপ, অসমৰ জ্যেষ্ঠ মুখপাত্ৰ অনুৰূপা ডেকাৰজাই কয়, “ বিজেপি চৰকাৰে অসমৰ খিলঞ্জীয়া জাতি জনগোষ্ঠীৰ বাবে ভাবুকি কঢ়িয়াই আনিছে। যি সময়ত অসমৰ থলুৱা ভূমিহীন কৃষকক চৰকাৰে সংস্থাপিত কৰিব পৰা নাই, যি সময়ত আমাৰ যুৱক যুৱতীসকলে কৰ্মসংস্থান লাভৰ পৰা বঞ্চিত হৈছে, চৰকাৰে থলুৱা নাগৰিকক সুৰক্ষা প্ৰদানত ব্যৰ্থ হৈছে, সেই সময়ত অৰুণাচল প্ৰদেশৰ পৰা চাকমা - হাজং শৰণাৰ্থী সকলক আনি অসমত সংস্থাপন দিব বিচাৰিছে। আম আদমী পাৰ্টিয়ে চৰকাৰৰ এই অসমবিৰোধী অভিসন্ধি কোনো পধ্যেই মানি নলয়।” আপৰ নেত্ৰী গৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৰ লগতে গৃহমন্ত্ৰী অমিত শ্বাহৰ বিৰুদ্ধেও সৰৱ হয়। আপৰ প্ৰতিবাদী কাৰ্যসূচীত গুৱাহাটী পৌৰ নিগমৰ ৱাৰ্ড মেম্বাৰ মাছুমা বেগম, আপৰ মিডিয়া পেনেলিষ্ট নীলমণি শইকীয়া, মহানগৰ সমিতিৰ সম্পাদক জিতু ডেকাৰ লগতে বহুকেইগৰাকী দলীয় নেতাই অংশগ্ৰহণ কৰে।

# অসম গণ পৰিষদৰ যোগদান কাৰ্যসূচী




ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটীৰ আমবাৰীস্থিত অসম গণ পৰিষদৰ মুখ্য কাৰ্যালয়ত অসম গণ পৰিষদৰ সভাপতি অতুল বৰা আৰু সাধাৰণ সম্পাদক মনোজ শইকীয়াৰ উপস্থিতিত এলানি যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। কামৰূপ গ্ৰাম্য জিলাৰ হাজোৰ পৰা অসম জাতীয় পৰিষদৰ প্ৰায় ১৯ জনীয়া এটি দলে আহি অসম গণ পৰিষদ দলত যোগদান কৰে। অসম জাতীয় পৰিষদ দলৰ কামৰূপ গ্ৰাম্য জিলাৰ আহ্বায়ক জাহানাৰা য়াচমিন। অসম জাতীয় পৰিষদৰ কেন্দ্ৰীয় মহিলা শক্তিৰ উপ সভানেত্ৰী পুটুলি মহন্ত কলিতা, এই একে মহিলা শক্তিৰ সম্পাদিকা নুৰিয়া বেগম, সদস্যা নমিতা ডেকাকে আদি কৰি ১৫ গৰাকী মহিলা আৰু ৪ গৰাকী পুৰুষে অসম গণ পৰিষদ দলৰ প্ৰাথমিক সদস্য পদত যোগদান কৰে।

# ডিব্ৰুগড়ৰ মোহনাঘাট অঞ্চলত ব্ৰহ্মপুত্ৰৰ প্ৰবাল গৰাখহনীয়া পৰিদৰ্শন জাতীয় পৰিষদৰ সঁজাতি দলৰ

ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড় মোহনাঘাট অঞ্চলত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াই কালৰূপ ধাৰণ কৰিছে। ডিব্ৰুগড় চহৰৰ গাতে লাগি থকা মোহনাঘাটৰ নৈপৰীয়া ৰাইজৰ লগতে গৰাখহনীয়া পৰিদৰ্শন কৰে অসম জাতীয় পৰিষদৰ এটা সঁজাতি দলে। মোহনাঘাটৰ খহনীয়া পৰিদৰ্শন কৰিবলৈ অহা অসম জাতীয় পৰিষদৰ ভ্ৰাতৃদল ‘জাতীয় যুৱ শক্তি’ৰ কেন্দ্ৰীয় সম্পাদক স্বাক্ষৰ জ্যোতি বৰগোহাঁই, জাতীয় যুৱ শক্তিৰ ডিব্ৰুগড় জিলা কাৰ্যকৰী সভাপতি পাৰ্থপ্ৰতিম ভূঞা, ডিব্ৰুগড় সমষ্টিৰ সম্পাদক বিক্ৰম ছেত্ৰী, চন্দ্ৰকমল দাস, অসম জাতীয় পৰিষদৰ উপ-সভাপতি



মহচিন বেইচ আহমেদ, পবিত্ৰ বৰুৱা, সুনীল সিং, পল্লৱ দাস, দেৱজিত ফুকন আৰু ৰনদীপ শইকীয়াই ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া অঞ্চল ভ্ৰমণ কৰে। ডিব্ৰুগড় মোহনাঘাটৰ নৈপৰীয়া এই গৰাখহনীয়া অঞ্চলৰ দৃশ্য দেখা পাই দলটোৰে জাঙুৰ খাই উঠে। পৰিদৰ্শন কৰিবলৈ অহা জাতীয় যুৱ শক্তি কেন্দ্ৰীয় সম্পাদক স্বাক্ষৰ জ্যোতি বৰগোহাঁইয়ে সংবাদ মাধ্যমৰ আগত জনাই যে যোৱা বছৰ মাথাউৰিৰ পৰা প্ৰায় এশ মিটাৰ দূৰত্বত এখন খেলপথাৰ আছিল আজিৰ তাৰিখত সেইখন খেলপথাৰ খন কিয় নোহোৱা হল? কাৰ ভুলৰ বাবে নোহোৱা হল? প্ৰশাসনে যি ভূমিকা ল’ব লাগিছিল সেয়া নকৰিলে বুলিও দলটোৱে অভিযোগ উত্থাপন কৰে। চৰকাৰৰ যি ভূমিকা হ’ব লাগিছিল সেয়া ৰাইজে প্ৰত্যক্ষ কৰিছে। ডিব্ৰুগড় ৰাইজৰ স্বাৰ্থত চৰকাৰ খনে যি দৰে কাম কৰিব লাগিছিল তেনে ধৰণৰ কাম কৰা দেখা পোৱা নাই বুলিও জনায়। খৰালিত নৈৰ কাম কৰিব লাগে, কিন্তু তাকে নকৰি বাৰিষাৰ আগমুহূৰ্তত এই অৱস্থা। আগন্তুক বাৰিষাত ডিব্ৰুগড় মোহনাঘাটৰ অঞ্চল সমূহ পানীত বুৰ যোৱা আকাংক্ষা বেছি দেখা দিছে বুলি জনায়।

# জুবিন গাৰ্গৰ বিৰুদ্ধে মাজুলী জিলা সত্ৰ মহাসভাৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত



ৰঙিলী বাৰ্তাসেৱা- জনপ্ৰিয় সংগীত শিল্পী জুবিন গাৰ্গৰ বিৰুদ্ধে মাজুলী জিলা সত্ৰ মহাসভাই লৈছে গুৰুত্বপূৰ্ণ সিদ্ধান্ত। শিল্পীগৰাকীক মাজুলীত সাংস্কৃতিক অনুষ্ঠানলৈ নিমন্ত্ৰণ দিয়াৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে জিলা সত্ৰ মহাসভাই। মাজুলী জিলা সত্ৰ মহাসভাৰ সভাপতি নতুন কমলাবাৰী সত্ৰৰ ডেকা সত্ৰাধিকাৰ সত্যজিৎ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত হৈছিল এই সভা। মাজুলীৰ নতুন কমলাবাৰী সত্ৰৰ সংস্কৃত টোলত অনুষ্ঠিত

(দহ পৃষ্ঠাত চাওক)

# গুৱাহাটীত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এবিভিপিৰ ব্যক্তিত্ব বিকাশ শিবিৰ




ৰঙিলী বাৰ্তাসেৱা- অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ, ব্ৰহ্মপুত্ৰ জিলা (গুৱাহাটী মহানগৰ)ৰ উদ্যোগত গুৱাহাটী মহানগৰীৰ চান্দমাৰীস্থিত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানত সাতদিনীয়াকৈ হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে এক ব্যক্তিত্ব বিকাশ শিবিৰৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ প্ৰথমটি দিনত মুখ্য অতিথি হিচাপে উপস্থিত আছিল কেৰিয়াৰ মেণ্টৰ আৰু দক্ষতা প্ৰশিক্ষক ৰঞ্জন কুমাৰ বৰুৱা, বিদ্যাৰ্থী পৰিষদৰ ৰাজ্যিক সম্পাদক হেৰল্ড মহন, অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ অধ্যক্ষ ড° হিতেশ তহবিলদাৰ আৰু অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ বি বৰুৱা মহাবিদ্যালয় গোটৰ সম্পাদিকা ছয়ানিকা পাঠক। ২৪ এপ্ৰিল পৰা

(দহ পৃষ্ঠাত চাওক)

# প্ৰাগজ্যোতিষ মহাবিদ্যালয়ত এবিভিপিৰ বিহু উদযাপন



ৰঙালী বাৰ্তাসেৱা- অসমীয়া সংস্কৃতিৰ কেন্দ্ৰবিন্দু বিহুৰ এই সময়ত কালি প্ৰাগজ্যোতিষ মহাবিদ্যালয়ত এবিভিপি গোটৰ উদ্যোগত বিহু উদযাপন কৰা হয়, য'ত বিহুৰ লগতে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়। মহাবিদ্যালয়ৰ বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই বিহুৰ কাৰ্যসূচীত এবিভিপিৰ ৰাজ্যিক সম্পাদক হেৰম্ভ মহনৰ লগতে প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু অধ্যাপকসকলে অংশগ্ৰহণ কৰে। ABVP অসমৰ ৰাজ্যিক সম্পাদক হেৰম্ভ মোহনে ৰাজ্যবাসীক ৰঙালী বিহুৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে, অসমীয়া নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ লগতে কয় যে বিহুৰ এই সময়ে আমাৰ সমাজত একতা আৰু ভাতৃত্বৰভাৰ বৃদ্ধি কৰি অসমীয়া জাতিটোক আৰু অধিক সমৃদ্ধি কৰে। এবিভিপিয়ে প্ৰতিবছৰৰ দৰে এইবাৰো অসমৰ বিভিন্ন প্ৰান্তত বিহুৰ কৰ্মশালা আৰু বিহুৰ কাৰ্যসূচীৰ আয়োজন কৰিছে, য'ত বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এই বিহুৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

# ভাৰতীয় জনতা পাৰ্টীৰ নিৰ্বাচনী ৰেলী



ৰঙালী বাৰ্তাসেৱা- গুৱাহাটীৰ পানবজাৰ কমাৰপট্টি চাৰিআলিৰ পৰা এক বৃহৎ নিৰ্বাচনী ৰেলী কৰি ফেঞ্চি বজাৰ শৰ্মা চুইটচ, এম এছ ৰোড হৈ মা কৰুনাময় কালী মন্দিৰ প্ৰাংগনত সমবেত হৈ এখন সভা অনুষ্ঠিত কৰে। গুৱাহাটী ৫ নং লোকসভা সমষ্টিৰ প্ৰাৰ্থী বিজুলী কলিতা মেধি, গুৱাহাটী উন্নয়ন মন্ত্ৰী অশোক সিংঘল, (দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত আছুৰ সাংস্কৃতিক শোভাযাত্ৰা



ৰঙালী বাৰ্তাসেৱা- বিগত বৰ্ষসমূহৰ দৰে এইবাৰো সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাৰ উদ্যোগত আৰু ডিব্ৰুগড়বাসীৰ সহযোগত চাৰিদিনীয়া কাৰ্যসূচীৰে কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ আৰম্ভ হৈছে। সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে সংগঠনটোৰ সভাপতি তনুজ হালৈয়ে। বিহুৰ পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি কিশোৰ বৰাই। শহীদ তৰ্পন কাৰ্যসূচী মুকলি কৰে সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পাপু শইকীয়াৰ লগতে জিলা ছাত্ৰ সন্থাৰ উপদেষ্টাদ্বয়- খগেন দত্ত আৰু ৰূপজ্যোতি বৰঠাকুৰে। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধনী কাৰ্যসূচীত উদ্বোধন কৰে বিশিষ্ট অভিনেত্ৰী চেতনা দাসৰ লগতে সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক বুলবুল দত্তই। অভিনেতা অৰুণ হাজৰিকা, মাধুৰীমা চৌধুৰী, নয়ন নীলিম, নীলাভ নীতা, যশস্বী ভূঞা আৰু ভৈৰবী গোস্বামীৰ লগতে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শঙ্কৰজ্যোতি বৰুৱাই অংশ গ্ৰহণ কৰা সাংস্কৃতিক শোভাযাত্ৰাত বিভিন্ন জনগোষ্ঠীৰ সংস্কৃতি, সাজ-পোছাক পৰিধান কৰাৰ লগতে থলুৱা পোছাক পৰিধান কৰি শোভাযাত্ৰাৰ সৌষ্ঠৱ বঢ়াই তোলে।

# খালিস্তানী নেতা অমৃতপাল সিং ডিব্ৰুগড়ৰ জেলৰ পৰাই নিৰ্বাচন খেলিব



ৰঙালী বাৰ্তাসেৱা- এনএছএৰ অধীনত ডিব্ৰুগড় কাৰাগাৰত বন্দীহৈ থকা খালিস্তানী নেতা অমৃতপাল সিঙে ডিব্ৰুগড়ৰ জেলৰ পৰাই নিৰ্বাচন খেলাৰ পৰিকল্পনা কৰিছে। পাঞ্জাৱৰ খাদুৰ চাহিবৰ পৰা লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব অমৃতপাল সিঙে। উল্লেখযোগ্য যে অমৃতসৰৰ আজনালা আৰক্ষী থানাত হোৱা আক্ৰমণৰ পিছত অমৃতপাল সিঙে শিৰোনাম দখল কৰিছিল। তেওঁ দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহকো ভাবুকি দিছিল। ইয়াৰ পিছত, পঞ্জাৱ আৰক্ষীয়ে স্কুৱোৰ কঠোৰ কৰাৰ পিছত তেওঁ আত্মসমৰ্পণ কৰে। এনএছএৰ অভিযোগত ডিব্ৰুগড় কাৰাগাৰত বন্দী হৈ থকা অমৃতপাল সিঙে পাঞ্জাৱৰ খাদুৰ চাহিবৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিব। এই তথ্য তেওঁৰ অধিবক্তা ৰাজদেৱ সিং খালছাই দিছিল। খালচা এজন প্ৰাক্তন সাংসদ। সঙ্গীজনক মুক্ত কৰিবলৈ আৰক্ষী চকীত আক্ৰমণ কৰিছিল ২০২৩ (দহ পৃষ্ঠাত চাওক)

# চম্পাৱতী হাইস্কুলৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণ

ৰঙালী বাৰ্তাসেৱা- সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত যোৱা বৰ্ষৰ দৰে এইবাৰো মহানগৰীৰ ধীৰেনপাৰা-গণেশপাৰাস্থিত চৰকাৰী প্ৰাদেশিকৃত চম্পাৱতী হাইস্কুলে এশ শতাংশ উত্তীৰ্ণৰে সুনাম কঢ়িয়াই অনাত অঞ্চলটোৰ স্থানীয় ৰাইজে আনন্দময় পৰিবেশ বিৰাজ কৰা পৰিলক্ষিত হৈছে। উক্ত বিদ্যালয়খনৰ পৰা ৫১ জন পৰীক্ষাৰ্থীৰ ২৯ জনে প্ৰথম বিভাগ, ২১ জনে দ্বিতীয় বিভাগ আৰু ১ জনে তৃতীয় বিভাগ পাবলৈ সক্ষম হৈছে। আনহাতে, ৮ জনে বিভিন্ন বিষয়ত লেটাৰ পাবলৈ সক্ষম হৈছে।

# পৰ্যবেক্ষক, প্ৰাৰ্থী-প্ৰতিনিধিৰ সৈতে কামৰূপ মহানগৰ জিলা নিৰ্বাচন বিষয়াৰ গুৰুত্বপূৰ্ণ সভা




ৰঙালী বাৰ্তাসেৱা- অহা ৭ মে'ত অনুষ্ঠিত হ'বলগীয়া ৫ নং গুৱাহাটী লোকসভা সমষ্টিৰ নিৰ্বাচন স্বচ্ছ, নিকা, শান্তিপূৰ্ণ আৰু শৃংখলাবদ্ধভাৱে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে সকলো যাৱতীয় পদক্ষেপ ইতিমধ্যে গ্ৰহণ কৰিছে কামৰূপ মহানগৰ জিলা নিৰ্বাচন কৰ্তৃপক্ষই। নিৰ্বাচন প্ৰক্ৰিয়া সম্পূৰ্ণ সুকলমে পৰিচালনা কৰাৰ বাবে কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। উক্ত বৈঠকত কামৰূপ মহানগৰ জিলা আয়ুক্ত তথা জিলা ৰিটাৰ্ণিং বিষয়া সুমিত চাত্তাৱনকে ধৰি সাধাৰণ পৰ্যবেক্ষক ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া কেশৱ সিংঘানিয়া, আৰক্ষী পৰ্যবেক্ষক ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া কে ৰঘুৰাম ৰেড্ডী আৰু ব্যয় পৰ্যবেক্ষক ভাৰতীয় ৰাজহ সেৱাৰ বিষয়া টি জেমছ সিংহনসহ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থী তথা সংশ্লিষ্ট প্ৰতিনিধিসকল উপস্থিত থাকে। সাধাৰণ পৰ্যবেক্ষক গৰাকীয়ে সকলো পক্ষক নিৰ্বাচনী আচৰণ বিধি মানি কাম-কাজ কৰিবলৈ তথা কিবা অভিযোগ বা আপত্তি থাকিলে তত্তালিকে সংশ্লিষ্ট কৰ্তৃপক্ষক অৱগত কৰাবলৈ আহ্বান জনায়। একেদৰে আৰক্ষী পৰ্যবেক্ষক গৰাকীয়ে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা সকলো নীতি-নিয়ম মানি নিৰ্বাচনী কাম সম্পাদন কৰাৰ (দহ পৃষ্ঠাত চাওক)

# দৰঙৰ মাইক্ৰ’ অবজাৰ্ভাৰ সকলৰ প্ৰশিক্ষণত অংশগ্ৰহণ সাধাৰণ পৰ্যবেক্ষক ড° এম আৰ ৰবিৰ

ৰঙিলী বাৰ্ত্তাসেৱা- মঙলদৈ জিলা পুথিভঁৰালত লোকসভা নিৰ্বাচনৰ বাবে নিয়োজিত দৰং জিলাৰ মাইক্ৰ’ অবজাৰ্ভাৰ সকলৰ এক প্ৰশিক্ষণ ৰবিবাৰে অনুষ্ঠিত হয়। প্ৰশিক্ষণত দৰং - ওদালগুৰি লোকসভা সমষ্টিৰ সাধাৰণ পৰ্যবেক্ষক ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া ড° এম আৰ ৰবিয়ে মাইক্ৰ’ অবজাৰ্ভাৰ সকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰাৰ লগতে তেওঁলোকৰ সৈতে আলাপো কৰে। সাধাৰণ পৰ্যবেক্ষক গৰাকীয়ে তেওঁৰ



ভাষণত কয় যে ভোটদান প্ৰক্ৰিয়া সূচাৰুৰূপে সম্পন্ন কৰাত নিজৰ নিজৰ দায়িত্ব দায়বদ্ধতাৰে পালন কৰাতো নিৰ্বাচনৰ সৈতে জড়িত প্ৰতিগৰাকী বিষয়া - কৰ্মচাৰীৰ কৰ্তব্য। এই প্ৰসঙ্গত তেওঁ মাইক্ৰ’ অবজাৰ্ভাৰ সকলৰ দায়িত্ব আৰু কৰ্তব্যৰ কথা বিস্তৃতভাৱে উল্লেখ কৰে। ভোট কেন্দ্ৰত এজন ভোটাৰে ভোটদান কৰাৰ পিছৰ হোৱা ‘বীপ ছাউণ্ড’, ভোট দাতাই ভোটিং কম্পাৰ্টমেন্টতপৰ্যন্তম ৭ ছেকেণ্ড ৰোৱাৰ প্ৰয়োজনীয়তাৰ পৰা ভোটকেন্দ্ৰটোত ভোটদান সম্পূৰ্ণ হোৱাৰ পিছত বিষয়াসকলে পূৰণ কৰিবলগীয়া প্ৰ-পত্ৰলৈকে বিভিন্ন বিষয় সম্পৰ্কে তেওঁ নিজৰ ভাষণত উল্লেখ কৰে। সাধাৰণ পৰ্যবেক্ষক গৰাকীৰ ভাষণত জিলাখনৰ দুৰৱৰ্তী ভোটকেন্দ্ৰ

*(দহ পৃষ্ঠাত চাওক)*

# পাখামাৰাত সংঘটিত হয় এক চাঞ্চল্যকৰ হত্যাকাণ্ডৰ ঘটনা

ৰঙিলী বাৰ্ত্তাসেৱা- বাক্সাৰ পাখামাৰাত সংঘটিত হয় এক চাঞ্চল্যকৰ হত্যাকাণ্ডৰ ঘটনা। পাখামাৰা গাঁওৰ দীলিপ বৈশ্যৰ পুত্ৰ ৰমনী বৈশ্যক অচিনাক্ত দুৰ্বৃত্তই চুৰিকাঘাত কৰি হত্যা কৰি থৈ যায় বুলি জানিব পৰা গৈছে। লগতে উক্ত ঘটনাত খমেন লাহাৰীৰ পুত্ৰ ৰাকেশ লাহাৰীও গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছে। অৱশ্যে কোনে কি কাৰণত যুৱক দুজনক আক্ৰমণৰ লক্ষ্য কৰি লৈছিল সেই বিষয়ে এতিয়ালৈকে জানিব পৰা হোৱা নাই যদিও আৰক্ষীয়ে ইতিমধ্যে আৰম্ভ কৰি তদন্ত। দুয়োগৰাকী যুৱককে ততাতৈয়াকৈ মুছলপুৰ অসামৰিক চিকিৎসালয়লৈ অনা হয় যদিও চিকিৎসকে ৰমনী বৈশ্যক মৃত বুলি ঘোষণা কৰে। লগতে ৰাকেশ লাহাৰীক উন্নত চিকিৎসাৰ বাবে নলবাৰীলৈ প্ৰেৰণ কৰে।

# দক্ষিণ গুৱাহাটী জাতীয় বিদ্যালয়ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণ

ৰঙিলী বাৰ্ত্তাসেৱা- সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিগত বৰ্ষৰ দৰে এইবাৰো মহানগৰীৰ দাঁতালপাৰাস্থিত দক্ষিণ গুৱাহাটী জাতীয় বিদ্যালয়ে এশ শতাংশ উত্তীৰ্ণৰে সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। এইবাৰ বিদ্যালয়খনৰ পৰা ৪৮ জন পৰীক্ষাৰ্থীৰ ৪৮ জনে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। তাৰ ভিতৰত ডিষ্টিংচন ১৩ জন, ষ্টাৰ ২৬ জনে পাবলৈ সক্ষম হৈছে। আনহাতে, অসমীয়াত ১৬ জন, ইংৰাজীত ৩৭ জন, সাধাৰণ গণিতত ২২ জন, সাধাৰণ বিজ্ঞানত ৩৮ জন, সমাজ বিজ্ঞানত ৪৩ জন, কম্পিউটাৰ বিজ্ঞানত ১৬ জন, ফাইন আৰ্টত ১ জন, সংগীতত ২ জন, উচ্চ গণিতত ৪ জন, হিন্দীত ৰজনে লেটাৰ নম্বৰ পাই বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই অনাত অঞ্চলটোত আনন্দময় পৰিৱেশ বিৰাজ কৰা পৰিলক্ষিত হৈছে। তদুপৰি, উচ্চগণিতত ৪ জনে ১০০ নম্বৰ পাবলৈ সক্ষম হৈছে।

# ২৮ এপ্ৰিলত “Career options after 10th and 12th” শীৰ্ষক কৰ্মশালা আয়োজন



ৰঙিলী বাৰ্ত্তাসেৱা- ডেভেলপমেণ্ট ডিজিটেলি গ্ৰুপ (Development Digitally Group) নামৰ ৱাটচআপ গোটৰ উদ্যোগত “Career options after 10th and 12th” শীৰ্ষক এখন বিনামূলীয়া অনলাইন কেৰিয়াৰ কৰ্মশালা ২৮এপ্ৰিলত সন্ধিয়া ৭.৩০ বজাত আয়োজন কৰা হৈছে। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকিব ৰাজ্যখনৰ এগৰাকী আগশাৰীৰ কেৰিয়াৰ পৰামৰ্শদাতা তথা অসম ডন বস্ক’ বিশ্ববিদ্যালয় স্কুল অব টেকন’লজীৰ মেকানিকেল ইঞ্জিনিয়াৰিং বিভাগৰ মুৰব্বী ড° বুলজিৎ বুঢ়াগোহাঁই। গুগল মিটৰ যোগেদি অনুষ্ঠিত হ’বলগীয়া কৰ্মশালাখনত যোগদান কৰিবৰ বাবে ক’ড (code) হ’ল- “xvj-eswb-zuz”। এই কৰ্মশালাখনত আগ্ৰহী শিক্ষাৰ্থী তথা অভিভাৱকসকলেও অংশগ্ৰহণ কৰিব পাৰিব বুলি ‘ডেভেলপমেণ্ট ডিজিটেলি গ্ৰুপ’ গোটৰ প্ৰশাসক বিমল বৰাই জানিব দিছে।

# হাতে সলনি কৰিব ব্যৱস্থা

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী মহানগৰীৰ সৰ্ব সাধাৰণ ৰাইজৰ সৈতে প্ৰায় ১৪ খনতকৈও অধিক নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত কৰে ৫ নং গুৱাহাটী লোকসভা সমষ্টিৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰৰ গোস্বামীয়ে। উক্ত সভাত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভুপেন কুমাৰ বৰা উপস্থিতিত থাকে। উল্লেখযোগ্য যে ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ নীতি আৰু আদৰ্শক ভাল পায় লালগণেশ, বিৰুবাৰী, নিজৰাপাৰ, সাতগাঁও, নুনমাটি,



চান্দমাৰী, লখৰাকে ধৰি বৃহত্তৰ অঞ্চলৰ প্ৰায় দুইশতাধিক বিজেপী কৰ্মীয়ে ভাৰতীয় জাতীয় কংগ্ৰেছ দলত সভাপতি ভুপেন কুমাৰ বৰাৰ উপস্থিতিত যোগদান কৰে। ইয়াৰোপৰি শেহতীয়া মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ ছাত্ৰী সকলক সম্বৰ্ধনা জ্ঞাপন কৰে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভুপেন কুমাৰ বৰাই নিৰ্বাচনী প্ৰচাৰ সভাত মীৰা বৰঠাকুৰৰ গোস্বামীক বিবেক ভোট প্ৰদান কৰিবলৈ আহ্বান জনায়। উক্ত সভাত কয় যে অসমৰ সাহসী আৰু দুৰ্দান্ত কণ্ঠৰে দিল্লীত ৰাইজৰ হৈ যুঁজ কৰিব পৰা মীৰা বৰঠাকুৰ একমাত্ৰ উপযুক্ত প্ৰাৰ্থী। গুৱাহাটীত কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰৰ জয়ী হোৱা মানে ২০২৬ ত দিশপুৰ পৰা বিজেপী নোহোৱা হোৱা। অহা দিনত পুৰণি কৰ, অংগণবাদী কৰ্মী, চৰকাৰী কৰ্মচাৰী সকলৰ পুৰণি পেঞ্চন নীতি, ন লখিমী আদি কংগ্ৰেছৰ হাতত ক্ষমতা আহিলে আগৰ দৰে কৰিব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক বিপুল গগৈ, উপ সভাপতি আৰ পি শৰ্মা, উপ সভাপতি গুণ কান্ত গগৈ, অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক জিন্টু হাজৰিকা, ৰফিকুল ইছলাম, কৃদীপ বৰ্মন, জ্যেষ্ঠ নেতা পৰেশ ৰহাং, জ্যেষ্ঠ মুখ পাত্ৰ কুশল শৰ্মা, গোপাল শৰ্মা, বেদ্ৰব্ৰত শৰ্মা, কামৰূপ মহানগৰ জিলা মহিলা কংগ্ৰেছৰ অনামিকা স্বৰ্গীয়াৰী সহিতে বিভিন্ন বিৰোধী দলৰ নেতা কৰ্মীৰ লগতে সৰ্ব সাধাৰণ ৰাইজ উপস্থিত থাকে।

# মে’ মাহত ঘোষণা হ’ব উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলঃ ডাঃ ৰণোজ পেগু

ৰঙিলী বাৰ্ত্তাসেৱা- মেট্ৰিক পৰীক্ষাৰ ফলাফল ঘোষণাৰ পিছতে এতিয়া সকলোৰে উৎকণ্ঠা বৃদ্ধি পাইছে উচ্চতৰ মাধ্যমিকৰ ফলাফল ঘোষণাক লৈ। মে’ মাহৰ প্ৰথম সপ্তাহত ঘোষণা হ’ব উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফল এই মন্তব্য কৰে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। শিক্ষামন্ত্ৰীগৰাকীয়ে লগতে মন্তব্য কৰে যে ইতিমধ্যে ফলাফল ঘোষণা কৰিবলৈ কাউন্সিল সম্পূৰ্ণৰূপে সাজু। উল্লেখ্য যে ২০ এপ্ৰিলত ঘোষণা কৰা হৈছে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল।



# ভুলবোৰৰ পৰা শিক্ষা ল'লেহে নিজৰ কৰ্ম দক্ষতা বৃদ্ধি হয়

আমি জন্ম গ্ৰহণ কৰাৰ পৰা আৰম্ভ কৰি একেবাৰে আমাৰ মৃত্যুৰ অন্তিম দিনলৈকে সদায় শিক্ষা আহৰণ কৰি গৈ থাকো। এতিয়া কথা হ'ল যিকোনো বিষয়-বস্তুবোৰে বেয়া নে ভাল তাৰ আভাস আমাক হয়তো আমি আনৰ পৰা দেখি গম পাব পাৰি নহ'লে নিজে সেইবোৰ সমস্যা বা বিষয়-বস্তুবোৰৰ ওপৰত সোমাই বা সংগ্ৰাম কৰি উঠি গম পাব পাৰি। কিন্তু বৰ্তমান সময়তো ইমান ব্যস্ততাৰ সময়ত বা অতি দ্ৰুত গতিত গতি কৰা পৰিৱেশ আৰু পৰিস্থিতিৰ বিষয়ে আমি নিজে সকলো ক্ষেত্ৰতে ভুল কৰি উঠি শিক্ষা আহৰণ কৰিবলৈ আমাৰ হাতত সময়ৰ বহু অভাৱ হোৱা পৰিলক্ষিত হয়। সেয়েহে কিছুমান ক্ষেত্ৰত নিজৰ ভুলৰ পৰা আৰম্ভ কৰি পৰাপক্ষত আনে কৰি অহা বা কৰি থকা ভুলবোৰৰ ওপৰত দৃষ্টি নিক্ষেপ কৰি শিক্ষা গ্ৰহণ প্ৰতি অগ্ৰসৰ হোৱা উচিত। তথাপিও নিজৰ জৰিয়তে জীৱন কৰি অহা ভুলবোৰৰ পুনৰাবৃত্তি নকৰাকৈ কেনেকৈ জীৱনক আগুৱাই লৈ যাব পাৰি তাৰে অতি ক্ষিপ্ৰ গতিত জ্ঞান আহৰণ কৰা উচিত হ'ব। অৰ্থাৎ মোৰ কোৱাৰ তাৎপৰ্য এইটোৱে যে, ভুলবোৰৰ পৰা শিক্ষা ল'লেহে নিজৰ কৰ্ম দক্ষতা বৃদ্ধি হয়। আচলতে এই জগতখনত বৰ্তমান সময়ছোৱালৈকে যিমানবোৰ মানুহে নিজ নিজ দিশত বহু সফলতা লাভ কৰিবলৈ সক্ষম হৈছে তেখেতসকলৰ মাজৰ বেছিভাগ মানুহে জীৱনত বহু জীৱনত বৰ্তমান সময়ত যিখিনি ঠাইত উপস্থিত হৈ আছোঁ তাৰে পৰা যদি আৰু অধিক ওপৰলৈ অগ্ৰসৰ হ'বলৈ হ'লে, হয় আমি আনৰ পৰা দেখি নহ'লে নিজে জীৱনত ঠেকাবোৰ খাই অৰ্থাৎ




চন্দ্ৰ শেখৰ পৰাজুলী, বিশ্বনাথ চাৰিআলি

কঠোৰ সংগ্ৰাম, সংঘৰ্ষ মোকাবিলা কৰিবলগীয়া হৈছিল বা হৈছে। কিন্তু তেখেতসকলে জীৱনৰ প্ৰতিটো দিশতে পদে পদে নিৰন্তৰভাৱে শিক্ষা আহৰণ কৰি গৈছিল বা গৈ আছে। গতিকে আপোনালোকে নিজে ভাবি চাওঁক বৰ্তমানলৈ সফলতাৰ শিখৰত উপনীত হোৱা ব্যক্তিসকলে যদি একেটা ভুলবোৰকে যদি পুনৰাবৃত্তি কৰি গৈ থাকিলে হয় তেন্তে তেখেতসকল আজি সফলতাৰ শিখৰত আৰোহণ কৰিবলৈ সক্ষম হলহেতেনে নে? আমি যদি ভুলবোৰৰ পৰা শিক্ষা আহৰণ কৰি গৈ থাকিলেহে এসময়ত গৈ গৈ সফলতাৰ মুখ দেখিবলৈ সক্ষম হ'ম। একেবাৰে অতি কম সময়তে বহু সফলতা অৰ্জন কৰাৰ কেতিয়াও সপোন নেদেখিব। কাৰণ প্ৰথম অৱস্থাত আমি কৰি অহা বা আমি দেখিবলৈ পোৱা ভুলবোৰৰ পৰা শিক্ষা আহৰণ কৰি গৈ থাকিলে আমাৰ কৰ্ম দক্ষতা বৃদ্ধি হয় আৰু এনেদৰে লাহে লাহেকৈ এসময়ত গৈ আমি নিজে কৰি থকা যিকোনো দিশতেই সফলতা অৰ্জন কৰিবলৈ সক্ষম হ'ম।

# প্ৰতাৰণা

মানুহ জীৱশ্ৰেষ্ঠ নিজৰ মস্তিস্কৰে গোটেই বিশ্ব জয় কৰিব পাৰে বা কৰিছে কিন্তু কিছুমান দৃশ্য দেখিলে অনুভৱ হয় সকলো জীৱজন্তুতকৈও মানুহ যেন



অনামিকা (সংগীতা) কলিতা, শুৱালকুছি

তলৰ খাপৰ প্ৰাণী। ব্যস্ততাপূৰ্ণ চহৰখনৰ এখন সম্ভ্ৰান্ত ঘৰৰ বোৱাৰী তেখেত লগতে মহিলা সমিতি মেল মিটিং সকলো সামাজিক কামত জড়িত বুলি, চহৰখনত তেওঁৰ বিশেষ স্থান আছে। সেই মহিলা গৰাকীক শিশু সমাৰোহ এখনৰ মিটিঙত ভাষণ দিবলৈ নিমন্ত্ৰিত হ'ল যথা সময়ত মহিলা জনীয়ে ঘৰৰ (ডাইভাৰ) গাড়ী চালক জনক লগত লৈ মিটিং অভিমুখে ৰাওঁনা হ'ল। ৰাষ্টাৰে গৈ থাকোতে বাছ ষ্টপেজ এটাত গাড়ী খন ৰাখিব লগা হ'ল, সেই সময়তে এজনী ভিখাৰী মহিলাই কোলাত কেঁচুৱা এটা লৈ খিৰিকী খনৰ মুখত হাত এখন আগবঢ়াই দিলে, মহিলা গৰাকী বহি থকা ফালে। তেতিয়া মহিলা গৰাকীয়ে পাঁচশ টকা নোট এখন উলিয়াই ল'লে, আৰু চালকজনক ইঙ্গিতেৰে মোবাইটো আগবঢ়াই দিলে, সুন্দৰ ফটো এখন তোলাৰ বাবে । চালকজনেও ফটো উঠাব সাজু হ'ল।

মহিলাজনীয়ে পাঁচশ টকাটো ভিখাৰী জনীৰ ফালে আগবঢ়াই নিজে ধৰি থাকিল, ফটো খন উঠোৱা হোৱাৰ লগে লগে নোটখন টান মাৰি বেগত ভৰাই থলে, আৰু কেইটামান খুচুৰা পইচা ভিখাৰী জনীক দি, গুছি গ'ল। পিছদিনা ফেচবুকত ডাঙৰ -ডাঙৰ আখৰেৰে ভিখাৰীৰ সৈতে তেওঁৰ ফটোখন আপলোড কৰিলে।

# মূৰ্তি শ্ৰেষ্ঠ নে মানুহ ?

শৈলেন কুমাৰ, মিৰ্জা

হিৰক আৰু নৰ দুই ভাইককাইকে। নৰই মূৰ্তি পূজাত অৰ্থাত ঈশ্বৰবাদত বিশ্বাসী আৰু হিৰক সত্যবাদিতাত বিশ্বাসী অৰ্থাত মানৱ ধৰ্মত বিশ্বাসী। এজনে মূৰ্তিৰ মাজত ঈশ্বৰক বিচাৰি পায় আৰু আনজনে মানুহৰ মাজত ঈশ্বৰক বিছাৰি পায়। ঈশ্বৰ, ভগৱানৰ নামকলৈ দুয়োজনৰ মাজত প্ৰায়ে ৰাক বিতৰ্ক চলে। এজনৰ মতে মোৰ ধৰ্ম শ্ৰেষ্ঠ আৰু আনজনৰ মতে মোৰ ধৰ্ম শ্ৰেষ্ঠ। এজনে দিনৰদিনটো কেৱল মন্দিৰ দৰ্শন কৰি ধৰ্মীয় ৰীতিনীতি কৰি থকাত ব্যস্ত আৰু এজনে সত্যক ভগৱান হিচাপে প্ৰাধান্য দি দহৰ হকে সমাজৰ হকে নিজকে বিলীন কৰি কৰ্ম কৰি থকাত ব্যস্ত । এতিয়া কথা হ'ল মানুহ এজনক অৱহেলা কৰি পূজা পাতাল কৰি ধৰ্ম কৰা শ্ৰেষ্ঠ নে? মানুহক ভগৱান জ্ঞান



কৰি মানুহৰ উপকাৰৰ হকে কৰ্ম কৰাটো শ্ৰেষ্ঠ ? মানুহে মূৰ্তি বনাইছে আৰু মানুহক ভগৱানে বনাইছে, ভগৱানৰ অংশ মানুহ আমি কাক পূজা কৰা উচিত ? শ্ৰীমদ্ভাগৱতগীতাত উল্লেখ আছে কৰ্মতকৈ জ্ঞান শ্ৰেষ্ঠ। বাক্যশাৰীত কি বুজোৱা হৈছে? কিছুমানৰ মতে কৰ্মই ধৰ্ম। আমি কৰ্ম কৰি আছোঁ অহৰহ ভাৱে কিন্তু যদি আমি নেজানো আৰু যদি আমাৰ জ্ঞান নাই যে কি কৰ্ম শুদ্ধ আৰু কি কৰ্ম অশুদ্ধ তেতিয়াও জানো ক'ব পাৰি কৰ্মই ধৰ্ম বুলি। কৰ্মৰ নামত অন্ধভক্ত হয়ো কাম নাই যদি কৰ্মৰ শুদ্ধতাৰ জ্ঞান নাথাকে। নিশ্চিতভাৱে যিটো কৰ্মই আমাক সন্তুষ্টি দিয়ে সেই কৰ্মই আমাৰ শ্ৰেষ্ঠ জ্ঞান হয় কিন্তু অপৰাধী এজনক অপৰাধে সন্তুষ্টি দিয়ে তেতিয়া অপৰাধীজনৰ কৰ্মকো শ্ৰেষ্ঠ বুলি মানি লব নেকি? ভক্তি কৰা উচিত কিন্তু অন্ধভক্ত হোৱা অনুচিত। জ্ঞান লৈ ভক্তি কৰিলেহে সমাজ তথা মানুহৰ মংগল হ'ব।

# ছাঁ বিচাৰি আহিলো

যমুনা দুলু বৈশ্য, শুৱালকুছি



সুৰুযৰ পোহৰত জিলিকি উঠে
বুকুত প্ৰতিচ্ছবি নাচি।
অকচৰ অমিয়া সুৰ বাজে অবিৰাম
অমানিশা বোৰ যাব মচি।।
প্ৰতিটো অভিলাষী সপোনে জগাই
জীৱন যুদ্ধৰ ভাৱনা।
নিস্পৃহ সুখত নিঃসংকোচে চুই যায়
প্ৰাপ্তিৰ আশাৰে কল্পনা ।।
শব্দবোৰে পোখা দিব হৃদয় বৰষিব
তেজস্বী হৈ আহে উশাহবোৰ ।
আনন্দৰে জীপাল হ'ব এই শুভ লগনত
বোৱাই যাব অমিয়া সুৰ।।
তোমাৰ ছাঁ বিচাৰি পালো ক'ত সুহৃদজন
মন হ'ল যে সেউজীয়া।
কি বুলি দিম ধন্যবাদ ভাষা মোৰ হেৰাই
ফুলৰ সুগন্ধিৰে হওঁক যুগমীয়া।।

# বিহুৱান, হাঁচতি, টঙালি এই তিনি বস্ত্ৰ অসমীয়া সংস্কৃতিৰ প্ৰতীক

প্ৰিয়ম ৰাগিণী, ডিব্ৰুগড়

ঋতু পৰিৱৰ্তনক সাৰোগত কৰি পুনৰাই পালেহি ব'হাগৰ বিহুটি। বিহু বুলি কলেই আমাৰ গা সাতখন-আঠখন লাগে। কিমান যে আয়োজন বিহু বুলি কলে। পৰিৱেশলৈ এটা সুন্দৰ পৰিৱৰ্তন আহে। সেই পৰিৱৰ্তনৰ লগে লগে আমি সাজু হওঁ উৎসৱৰ সৈতে চামিল হ'বলৈ। বিহুলৈ এমাহ দেৰমাহ থকাৰ পৰাই 'বিহুৱান' তথা গামোচা, টঙালি, হাঁচতিৰ কথাই মনত চিন্তা লগায়। লোকসংস্কৃতিৰ বৰ ভেটি সবল কৰা এই সম্পদবোৰ নহ'লে জানো আমাৰ বিহটো হ'ব? নিশ্চয়েই নহ'ব। পৰম্পৰাৰ ভেটিতেই গঢ় লৈ উঠে লোকসংস্কৃতি। এটা সময় আছিল গাঁৱৰ প্ৰতিঘৰ মানুহৰ চোতাল, পিৰালিতে তাঁতশাল এখনি আছিল। আমাৰ শৈশৱ, কৈশোৰৰ দিনবোৰত এই বিহুৰ সময়ত মা, পেহী, আইতাহঁতৰ তাঁতশালৰ খিতিৰ খিতিৰ খিতখিতনি শুনিয়ে ডাঙৰ হৈছিলোঁ। সেয়ে তেতিয়াৰ পৰাই মনত গঢ় লৈ উঠা ভাৱটো এতিয়াও মন মগজুৰ ভিতৰে বাহিৰে সোমাই আছে। বিহু মানেই যেন মাকোঁ, উঘা, তুলুঠা নাচনি জৰীৰ গিৰিপনি। খিতিৰ খিতিৰ মাকোঁ যিমানেই মাৰিব সিমানেই গামোচাত ফুল বচা আৰু গামোচা তৈয়াৰ হোৱাৰ কাম খৰতকীয়াকৈ আগবাঢ়িব। ইফালে আকৌ বিহুচেৰা শালযুতিও আকৌ অমংগলীয়া হ'ব বুলি এটা ভয়ো আছে। বিহুৰ আগতেই 'বিহুৱান' বুলি লগোৱা গামোচাখিনি শেষ কৰিব লাগিব। সেই সময় পিচে অতীত হ'ল। মাঁহত, আইতাহঁত নোহোৱা হ'ল। তথাপিও জানো গামোচাৰ আদৰ কমিল ?নকমে ।লোকসংস্কৃতিৰ প্ৰতীক এই বস্ত্ৰৰ সদায়ে আদৰ থাকি যাব। যুগে যুগে বাপতি সাহোন বিহুটোত জ্যেষ্ঠ, কনিষ্ঠ অথবা মৰমৰজনক বিহুৱান যাঁচি আন্তৰিকতাৰ প্ৰদৰ্শন কৰিব লাগিব। বছেৰেকৰ বিহুত 'বিহুৱান' যঁচাটো অসমীয়া মানুহৰ এক পৰম্পৰা।

সংস্কৃতি বোৱতী নৈ। নদ-নদী শুকাই গলেও সংস্কৃতিয়ে সংস্কৃতিৰ ধাৰাবাহিকতা অক্ষুণ্ণ



ৰাখিব। উৎসৱ পাৰ্বনত ব্যৱহৃত বস্ত্ৰক আমি সন্মান প্ৰদৰ্শন কৰিব লাগিব। সেয়ে বিহু উৎসৱত গামোচা, বিহুৱান, টঙালি, হাঁচতিৰ মূল্য সদায়ে থাকিব। অসমীয়া মানুহৰ গামোচাখন স্বাভিমানৰ বস্ত্ৰ। বছেৰেকৰ বিহু উৎসৱৰ এক এৰাব নোৱাৰা বস্ত্ৰ। গামোচাখন অন্য সময়ত মানুহৰ 'গাা-মোচা' হিচাপে ব্যৱহাৰ কৰিলেও কিন্তু বিহুৰ সময়ত এইখন 'বিহুৱান' হিচাপেহে ব্যৱহাৰ কৰোঁ। 'ছাঁতে শুকুওৱা মুঠিতে লুকুওৱা' ফকৰা যোজনাৰে খ্যাতি থকা অসমীয়া শিপিনীয়ে একে ৰাতিতে কাপোৰ বৈ উলিয়াই যুদ্ধলৈ গিৰিয়েকক বা ঘৰৰ মানুহক পঠোৱাৰো উদাহৰণ আছে। অসমীয়া ৰমণীয়ে ৰাতিৰ ভিতৰতে কপাহ নেওঠি, ধুনি, পাঁজি কাটি, সূতা কাটি কাপোৰ বৈ উলিয়াই নিপুণতাৰ পৰিচয় দিব পাৰে। অসমীয়া সমাজত বিহুৰ সময়ত বস্ত্ৰদান কৰাটো পুণ্যৰ কাম বুলি জনা যায়। নিজে ন- বস্ত্ৰ পৰিধান কৰাৰ লগতে আনকো বস্ত্ৰ দান কৰি বৈকুণ্ঠত স্থান লোৱাৰ কথাও বিহু গীতত উল্লেখ পোৱা যায়। বিহু গীতত আছে-

" চ'ততে চকৰী ব'হাগত বগৰী  
জেঠতে আমনা ধান;  
গৰু বিহুৰ দিনাখন সৎকাৰ কৰিবা  
তেহে পাবা বৈকুণ্ঠত থান!"

'বিহুৱান' হিচাপে ব্যৱহাৰ কৰা গামোচাখন আগতে আমাৰ পৰিয়াল বা অসমীয়া সমাজত ঘৰতে বৈ কাটি উলিয়াইছিল। 'বিহুৱান' হৈছে স্নেহ আৰু শ্ৰদ্ধাৰ প্ৰতীকস্বৰূপ।আগৰ দিনত সময়মতে 'বিহুৱান' খন বৈ কাটি উলিয়াব নোৱাৰিলে 'অকাজী' নাম পাইছিল। বিহুগীতত 'বিহুৱান' খনৰ কথা উল্লেখ পোৱা যায় এইদৰে-

"তুমি কৰি যাবা ৰোৱনী দাৱনী  
মইনো বাই যাম হাল  
তুমি লগাই যাবা বিহুলৈ বিহুৱান  
মইনো পাতি যাম শাল"

পিচে সময় সলনি হৈছে। মানুহৰ ঘৰত তাঁতশালবোৰ নোহোৱা হৈছে। সময়ৰ অভাব আৰু শিপিনীৰ অভাৱে তাঁতশালৰ গৰিমা ম্লান কৰিছে। যিসকল লোকে ব্যৱসায়ভিত্তিক তাঁতশাল ব্যৱহাৰ কৰি বোৱা-কটাৰ ব্যৱসায় কৰি আছে সেইসকলৰ ঘৰতহে এতিয়া তাঁতশালৰ খিটখিটনি শুনিবলৈ পোৱা যায় আজিকালি। অৱশ্যে এতিয়াও গ্ৰামাঞ্চলৰ বহু লোকে তাঁতশালখনক আদৰ কৰা দেখা যায়। ঘৰতে বৈ কাটি লোৱা তথা ঘৰত পিন্ধিব পৰাকৈ বোৱা সাজযোৰ বা অন্যান্য বস্ত্ৰৰ মান্যতাই বেলেগ। ঠিক তেনেকৈ বাহিৰৰ পৰা অহা আমদানিকৃত গামোচাই থলুৱা শিপিনীয়ে বোৱা গামোচাৰ লগত ফেৰ মাৰিব নোৱাৰে ই সত্য কথা। অসমীয়া জনজীৱনত 'মৰমৰ দীঘেদি চেনেহৰ বাণী' ৰে বোৱা গামোচাৰ মূল্য বহু ওপৰত। কেৱল অসমীয়া জনসমাজতে বুলি কলে ভুল কোৱা হ'ব। অসমীয়া বাৰে ৰহণীয়া কৃষ্টি সংস্কৃতিৰ ধ্বজাবাহী অন্য বড়ো, কাৰ্বি, মিচিং, ৰাভা, তিৱা দেউৰী আদি কৰি সকলো জাতিৰ মাজতে এই 'বিহুৱান' দিয়াৰ প্ৰবনতা থকা দেখা যায়।

"মৰমৰ দীঘেদি চেনেহৰ বাণীৰে  
হেঁপাহৰ আঁচুৰে বোৱা  
ফুলামকৈ বিহুৱান তোমালৈ বৈছোঁ  
মনেদি এবেলি লোৱা"

সি যি কি নহওক। বাপতি সাহোন বিহুত ঢোল পেঁপা বজাবলৈ আমাক গামোচা, টঙালি, হাঁচতি লাগিবই। গামোচাখন আমাৰ বৰ আদৰৰ বৰ মৰমৰ। অসমীয়া জাতীয় জীৱনৰ প্ৰতিটো কৰ্মতে যেন গামোচা এক অপৰিহাৰ্য বস্ত্ৰ। ( নপৃষ্ঠাত চাওক)

# ৰঙালী বিহু সম্পৰ্কীয় অসমীয়া পৰম্পৰাগত লোকবিশ্বাস আৰু লোকাচাৰ

যোৰাখণ্ডৰ পৰা...

প্ৰিয়ংকা চমুৱা, ঢকুৱাখনা, লখিমপুৰ

এক বহাগৰ দিনটোত পালন কৰা আন এটি বিশেষ লোকাচাৰ হল এশ এবিধ শাক খোৱাৰ প্ৰথা। গাঁৱৰ প্ৰতিঘৰতে খোৱাৰ উপযোগী এশবিধ শাক সংগ্ৰহ কৰে আৰু আঞ্জা প্ৰস্তুত কৰে। এনে শাকৰ ভিতৰত ঢেঁকীয়া, কচু, ভেদাইলতা, ধুতুৰা, কলমৌ, মাটিকাঁদুৰী, মহানিম, জিলমিল, মানিমুনি, দোৰোণ, সৰিয়হ আদি সচৰাচৰ পোৱা শাকবোৰ অন্যতম। এইদৰে এশ এবিধ শাকে দেহৰ বিভিন্ন ৰোগ নিৰাময় কৰে বুলি লোকবিশ্বাস আছে। মানুহৰ বিহুৰ দিনা হুঁচৰি গোৱা আৰম্ভ কৰি গাঁৱৰ ডেকা-বুঢ়া সকলোৱে মিলি প্ৰতিঘৰ গওঁৱৰ ঘৰতে হুঁচৰি গাই বিহুৱলীয়া, যৌৱন তগবগাই থকা ডেকাই বিহুনাম জুৰে-

"ঢোলে নো গৰজিলে, মেঘে  
নো গৰজিলে  
অসমী আইৰ বুকুলৈ বসন্তৰ বা  
আহিলে  
আমি অসমীয়া, মৃৰত পাগে  
মৰা  
অ' সমনীয়া  
আমি বিহু মাৰোঁ ব'হাগৰ  
দুপৰীয়া  
বিহুৰে বতৰত আমাৰ নো নাই  
ঠিকনা।"

হুচৰিৰ শেষত গৃহস্থক আশীৰ্বাদ দিয়ে। বহাগ মাহ হৈছে কৃষিকৰ্মৰ আৰম্ভণি মাহ। কৃষিজীৱি অসমীয়াই ৰং-ৰহইচ, আনন্দ কৰি গৰুহালৰ মঙ্গল কামনাৰে মাটি চহোৱাৰ পূৰ্বে কৰণীয়খিনি কৰি কৃষিকৰ্মৰ কাৰণে প্ৰস্তুত হয়। কৃষক সকলে মনত গোটাই লয় নতুন আশা। বহাগে যেন সকলোৰে মনত যাচি যায় কৃষিজীৱি অসমীয়াৰ মনত উদ্যম আৰু কৰ্মপ্ৰেৰণা। বিহু অসমীয়া সাংস্কৃতিক জীৱনৰ প্ৰাণস্বৰূপ। লুইত পৰীয়া অসমীয়া সমাজৰ বাৰেৰহণীয়া, ঐশ্বৰ্যশালী সভ্যতাৰ উপাদানবোৰ যেন নিখুঁত, শুদ্ধ ৰূপত অসমী আইৰ বুকুত অনন্তকাললৈ বৈ বৈ যায়। পৰিৱৰ্তন অৱশ্যম্ভাৱী, কিন্তু ই যেন সদায় যোগাত্মক, লাভজনক দিশত হয়। নেতিবাচক আৰু হানিকাৰক দিশবোৰক আমি



প্ৰতিৰোধ কৰিবই লাগিব। কেইটামান দিশলৈ আমি চকু দিয়াটো ভাল হ'ব-

(ক) বিহুনামৰ বিকৃতিকৰণ ৰোধ, বিহু অনুষ্ঠানত সম্পূৰ্ণ জাতীয় সাজ-পাৰ পৰিধান নিশ্চিতকৰণ, থলুৱা বাদ্যৰ লগত পশ্চিমীয়া বাদ্যযন্ত্ৰৰ সংগতকৰণৰ পৰ্যালোচনা।

(খ) একোটা অঞ্চলত অসংখ্য বিহু সন্মিলন আয়োজন নকৰি কেন্দ্ৰীয়ভাৱে এখনেই পতা হওক (বহু ঠাইত পাতেই)। আহাৰ মাহলৈকে বিহু সন্মিলন আয়োজন কৰি থকা কথাটোও ভাবি চাবলগীয়া।

(গ) বিহু সন্মিলনৰ বৰঙনি সংগ্ৰহ দাবী-ধমকি, জোৰ-জবৰদস্তিৰে হোৱা অনুচিত। এনে পন্থাই আমাৰ সাংস্কৃতিক গৌৰৱৰ ঐতিহ্যত কালিমা সানে আৰু কেতিয়াবা বিষম পৰিস্থিতিৰ সৃষ্টি কৰে।

(ঘ) বিহুমঞ্চত গীত-বাদ্য পৰিবেশন কৰা গায়ক-শিল্পীসকলক যথেষ্ট কষ্টেৰে সংগ্ৰহ কৰা অৰ্থৰ সিংহভাগ মাননি হিচাপে আদায় দিয়াটো কিমান সমীচীন, ই বিচাৰ্যৰ বিষয়।

ৰঙালী বিহু ৰঙৰ উৎসৱ ৰঙৰ উৎসৱ।ৰঙ-ৰহইচ আৰু লোকবিশ্বাস তথা লোকাচাৰ সমূহ পালন কৰি সুন্দৰকৈ পালন কৰিলে অটুট থাকিব বিহুৰ ঐতিহ্য।

যোৰাখণ্ডৰ পৰা...

# চেতনাৰ আৰোহিণীঃ উপলব্ধি, প্ৰতিবাদ আৰু তন্ময়তা

জ্যোতি খাটনিয়াৰ

প্ৰথমটোৱে প্ৰমূল্য (value) ক দৰ্শাইছে আৰু দ্বিতীয়টোৱে সীমাবদ্ধতা (limitation) লৈ আমাৰ মনোযোগ আকৰ্ষণ কৰিছে। মানৱতাবাদী এজনে কৰ্তৃত্ব ( authority) ক আওকাণ কৰে। কিন্তু তেওঁ একে সময়তে ঐতিহ্য (tradition) ক সন্মান কৰে। তেওঁ পৰম্পৰাৰ প্ৰয়োজন বুলি ভাৱে আৰু দৰকাৰ হলে ইয়াক পৰিবৰ্ধন কৰি ল'বলৈ প্ৰস্তুত থাকে। সমকালীন শিল্পীসকলে মুনখ বা ভেন গঘৰ উপলব্ধিখিনিৰ মাজত থিয় হৈ এক ধৰণৰ নিশ্চয়তা (certainty) আৰু নিৰন্তৰ প্ৰবাহ (continuity) ক উপলব্ধি কৰে। মানৱতাবাদী দৃষ্টিকোণেৰে চাবলৈ গলে শিল্পৰ মহত্ব বা উদেশ্য তেতিয়াহে সাব্যস্ত হয়, যেতিয়া ইয়াক ৰসসমৃদ্ধ ভাৱে উপলব্ধি কৰিব পাৰি ( to be experienced aesthetically)। অভিজ্ঞতাৰ সৈতে সৌন্দৰ্য্যৰ সম্পৰ্ক কেনে হ'ব, ইয়াক লৈ ব্ৰিটিছ শিল্প সমালোচক ক্লাইভ বেলে গভীৰভাৱে চিন্তা চৰ্চা কৰিছিল। তেওঁ এইক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ ৰূপ (significant form) ৰ ধাৰণা থিয় কৰিছিল। তাৎপৰ্যপূৰ্ণ ৰূপ হ'ল শিল্পৰ সেই বিশেষ গুণ, যি আমাৰ মনত নন্দনতাত্বিক অনুভূতি ( aesthetic feelings) সৃষ্টি কৰিব



পাৰে। আধুনিক আৰু সমকালীন শিল্প চেতনাই মানৱতাবাদৰ সৈতে জড়িত দিশটোক বাদ দি চলিব নোৱাৰে। তাৎপৰ্যপূৰ্ণ ৰূপৰ ধাৰণাই সৌন্দৰ্যৰ ধাৰণাটোক এক বিশেষ পৰিসৰ প্ৰদান কৰাৰ চেষ্টা কৰিছে। বহু আলোচকৰ মতে সৌন্দৰ্য্য স্তৰহীন আৰু অভিন্ন। একাংশ নন্দনতাত্বিকে কব খোজে যে শিল্প বস্তুৰ ক্ষেত্ৰত অলপ সুন্দৰ বা বেছি সুন্দৰ, এনেকুৱা কথা উঠিব নোৱাৰে। কিন্তু সকলো দৰ্শকে এটা কথা নিশ্চয় স্বীকাৰ কৰিব যে কোনো শিল্প সৃষ্টিৰ সন্মুখত চিৰকালৰ বাবে মন্ত্ৰমুগ্ধ দৰ্শক থাকিব নোৱাৰে। কালিদাসৰ সৃষ্টি পঢ়িও এসময়ত মহাকবি গ্যেটেৰ আমুৱাইছিল। সৌন্দৰ্য্যৰ গভীৰ স্পৰ্শৰ সৈতে সামাজিক দিশ এটা জড়িত হৈ থাকে। যি চেতনা সৌন্দৰ্য্যৰ আধাৰ নাইবা এই সৌন্দৰ্য্যৰ উৎস, তাৰ এটা সামাজিক দিশ আহি পৰে। নন্দনতাত্বিকসকলৰ মতে- " যি চেতনা সৌন্দৰ্য্যৰ আধাৰ, বাহক আৰু স্ৰষ্টা, সেয়া স্পষ্টতঃ সামাজিক।" ঊনবিংশ শতিকাৰ, বিংশ শতিকাৰ আৰু একবিংশ শতিকাৰ শিল্পীসকলে নিজৰ ভাব মণ্ডল, কল্পনা বা অনুভৱক যেতিয়াই দৰ্শকৰ বাবে তুলি ধৰিছে, তেতিয়াই এক অন্তৰ্নিহিত সিদ্ধিৰ কথা ক'ব খুজিছে। কিন্তু এই সিদ্ধি জীৱনৰ অন্তহীন অভিজ্ঞতাৰ অলি-গলি বা বাস্তৱৰ নিৰন্তৰ অভিঘাতৰ ফলত হে গঢ় লৈ উঠে। ওপৰত উল্লেখ কৰা পেলেষ্টাইনৰ সংঘাতে কেইগৰাকীমান শিল্পীক সেই স্তৰত উপনীত কৰিছে, যত আমি আধুনিক আৰু সমকালীন শিল্প চেতনাৰ প্ৰভাৱ দেখো। চাজ ইছা (Saz Issa), হালিমা আজিজ ( Halima Aziz), হাডিল আলছাফাদি (Hadil Alsafadi), মালাক মাট্টাৰ (Malak Mattar), এই সকল শিল্পীয়ে নিদাৰুণ সময়, সংঘাত জৰ্জৰ পৰিবেশ আৰু মানৱতাৰ নিৰন্তৰ হত্যাৰ মাজতো শিল্পৰ যোগেদি এতিয়াও কথা কোৱাৰ সুযোগ বা সপোন দেখাৰ পৰিবেশ আছে বুলি ভাবিছো। তেওঁলোকে নিজৰ চেতনাক ইয়াৰ সামাজিক প্ৰসঙ্গৰ পৰা আঁতৰি থাকিবলৈ দিয়া নাই ; প্ৰতীক আৰু পৰিবেশৰ সৃষ্টি কৰোঁতে তেওঁলোকে মধ্যপ্ৰাচ্যৰ এই চিৰ অশান্ত অঞ্চলটোৰ জটিলতা আৰু পৰিচয় নিৰ্মাণ তথা অস্তিত্ব ৰক্ষাৰ বাবে কৰি থাকিবলগীয়া যুঁজ বাগৰ খনৰ গভীৰ তাৎপৰ্যপূৰ্ণ ইংগিত আৰু কথাবোৰক ৰং আৰু ষ্ট্ৰকেৰে ধৰি ৰাখিছে। ফলত তেওঁলোকৰ কেনভাছৰ নিৰ্দিষ্ট পৰিসৰত আহি পৰা বস্তু (object) সমূহৰ মাজলৈ সোমাই আহিছে এক তন্ময়তা। মনলৈ আহে আধুনিক আৰু সমকালীন শিল্পকৰ্মৰ সন্মুখত থিয় হৈ সংবেদনশীল আৰু ঐতিহ্য সচেতন দৰ্শকৰ মনলৈ আহিব পাৰে ভাৰতীয় নন্দন তত্বৰ এক বিশেষ উপলব্ধি - মানৰ মনে সৃষ্টি কৰা 'ভাৱ সৃষ্টি' ৰ কোনো শেষ নাই। ভাৱ আৰু কল্পনা মানৱ মনৰ চিৰস্থায়ী সম্পদ। মানুহৰ সামাজিক জীৱন, মানুহে সৃষ্টি কৰা শিল্পৰ জগত- দুয়োটাই এই ভাৱ আৰু কল্পনাক কেন্দ্ৰ কৰি চলি থকা এক গতি প্ৰধান আৱেগৰ মূৰ্তৰূপ।

## নীৰৱতা

ৰাজলক্ষ্মী বৰঠাকুৰ, দেৰগাঁও



ভাল লাগে কেতিয়াবা  
শব্দহীন নীৰৱতা...  
নীৰৱতাৰো এটা সুকীয়া  
আমেজ আছে,  
সুখ দুখৰ লগৰী হৈছে  
নীৰৱতা।  
কথাৰ শেষ আছে  
নীৰৱতাৰ শেষ নাই  
নীৰৱতাই কথা কই  
নিশব্দে নীৰৱে  
বালিচৰত নীৰৱতাই  
মোক লৈ ইতিকিং কৰিছে।  
নীৰৱতা এতিয়া মোৰ নিসংগতাৰ  
সংগী সময়ৰ সোঁতত নিজকে  
হাঁহি হাঁহি এৰি দিছো মাথোন।  
নীৰৱতাই কুৰুকি কুৰুকি  
উলাই আনিব বিচাৰে শব্দহীন  
ভাষাবোৰক নীলা চিয়াঁহীৰ টোপাল হৈ।

অণুগল্পঃ

## প্ৰশ্ন ঈশ্বৰলৈ

মুন শৰ্মা, লখিমপুৰ

ঈশ্বৰে নিদিয়ে আমাক। অজস্ৰ কষ্টৰ বিনিময়ত এগাল মান দুখ দিয়ে, দিবলৈ বোলে আৰু একো নাই! তেজখোৰা অসুৰ বোৰক সুখেৰে উপচাই দিয়ে। ইমান দৰদ, কি স্বাৰ্থত? আজিও মোৰ নুবুজা সাঁথৰ। কিয় ঈশ্বৰ! কিয়!

## জাপ নভঙা কাপোৰযোৰ

সুনম বিশ্বাস, গোৰেশ্বৰ, তামুলপুৰ

আলমিৰাটো খুলিয়েই সীমাই উচুপি উঠিল জাপ নভঙা কাপোৰযোৰ চাই । আজি এবছৰ হৈ গ'ল, বিহু বুলি মাৰ বাবে অনা কাপোৰযোৰ । বেমাৰ ভাল হ'লে পিন্ধম বুলি কৈ যে মাকে আলমিৰাত ভৰাই থৈছিল দুনাই খুলি পিন্ধিবলৈ সময় নিদিলে নিয়তিয়ে...!

# প্ৰদূষণ তথা বায়ু প্ৰদূষণৰ পৰিণতি

জ্যোতিস্মিতা গোস্বামী শৰ্মা

ৰাসায়নিক পদাৰ্থ, পদাৰ্থ কণা, অনুজীৱ আদিৰ দৰে হানিকৰ দ্ৰব্যসমূহ বায়ু, পানী আৰু মাটিত প্ৰৱেশ কৰাৰ ফলত সিহঁতৰ স্বাভাৱিক গুণাগুণ বিনষ্ট হয়। এই হানিকাৰক দ্ৰব্যৰ দ্বাৰা পৰিৱেশ বিনষ্ট হোৱা প্ৰক্ৰিয়াক প্ৰদূষণ বোলে।

বায়ু প্ৰদূষণৰ ফলত নানা ধৰণৰ সমস্যাৰ সৃষ্টি হয়। ইয়াৰ পৰিণতি অতি ভয়াবহ। ইয়াৰ কেইটামান উদাহৰণ এনেধৰণৰ -

(ক) বায়ু প্ৰদূষণ হ'লে মানুহৰ স্বাস্থ্যৰ ক্ষতি হয়। মানুহ শ্বাস - প্ৰস্বাস আদি ৰোগত ভোগে।

(খ) ই কিছুমান উদ্ভিদৰ ক্ষতি সাধন কৰি সেই উদ্ভিদৰ খাদ্য - শস্য নষ্ট কৰে।

(গ) বায়ু প্ৰদুষণৰ ফলত সৃষ্টি হোৱা এচিড বৰষুণে জলাহ ভুমি আৰু জলাশয় বোৰত থকা উদ্ভিদ আৰু জীৱ - জন্তুৰ ব্যাপক ক্ষতি সাধন কৰে।

(ঘ) ইয়াৰ প্ৰভাৱত মাটিৰ উৰ্বৰা শক্তি কমে, পানীৰ ৰং, স্বাদ নষ্ট কৰি পানীক ব্যৱহাৰৰ অনুপযোগী কৰি তোলে।



# শ্ৰদ্ধাঞ্জলি সুভাষ চন্দ্ৰ মেধি

**নিকুঞ্জ শৰ্মা**

আজিৰ সময়ত এনে এখন পৃথিৱী য'ত নিস্বাৰ্থতাই প্ৰায়ে ব্যক্তিগত লাভৰ বাবে পিছপৰি যোৱা আমি প্ৰায়েই দেখা পাওঁ, তেনেকুৱা সময়ত আজিও এনে কিছুমান ব্যক্তি আছে যাৰ জীৱন আশা আৰু অনুপ্ৰেৰণাৰ আলোকচিত্ৰ হিচাপে থিয় হয়। আজি তেনেকুৱা এজন ব্যক্তিৰ বিষয়ে জনাবলৈ বিচাৰিছো।

তেখেত হ'ল গুৱাহাটী মহানগৰৰ ফটাশিল অঞ্চলৰ নিবাসী শ্ৰদ্ধাৰ সুভাষ চন্দ্ৰ মেধি দেৱ যি তেওঁৰ গোটেই জীৱনকালত সামাজিক প্ৰগতিৰ প্ৰতি অটল সমৰ্পণৰ উদাহৰণ দিছিল।

তেখেতৰ জন্ম ১৯৫১ চনৰ ১ নৱেম্বৰত বৰপেটাৰ সৰ্থেবাৰীৰ কাৰাকুচি নামৰ গাঁৱত হৈছিল। তেখেতৰ পিতৃ-মাতৃৰ নাম হ'ল সুধন চন্দ্ৰ মেধি আৰু বীণাপানী মেধি। পিছত তেওঁলোকৰ পৰিয়ালে গুৱাহাটীৰ ফটাশিলত বসতি স্থাপন কৰে, য'ত মেধিদেৱে সেৱা আৰু সমৰ্পণৰ যাত্ৰা উন্মোচিত হ'বলৈ আৰম্ভ কৰে। কিন্তু দুৰ্ভাগ্যবশতঃ তেখেতে যোৱা ১৮ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখে ইহলীলা সম্বৰণ কৰে।

মেধি দেৱে তেওঁৰ সুন্দৰ কেৰিয়াৰত ২০১১ বৰ্যত অৱসৰ লোৱা পৰ্যন্ত গুৱাহাটী পৌৰ নিগমত জ্যেষ্ঠ কৰ অধীক্ষক ৰ নিচিনা ডাঙৰ পদত কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ কৰ্তব্যৰ প্ৰতি তেখেতৰ প্ৰতিশ্ৰুতি অতুলনীয় আছিল যাৰ বাবে অটল সততা আৰু দুৰ্নীতিপূৰ্ণ কাৰ্য্যত লিপ্ত হ'বলৈ তেখেতে দৃঢ় ৰূপে অস্বীকাৰ কৰিছিল। জ্যেষ্ঠ আৰু কনিষ্ঠ সকলো সহকৰ্মীয়ে তেওঁৰ জনহিতকৰ মনোভাৱ আৰু নৈতিক আচৰণৰ বাবে তেখেতক উচ্চ সন্মান জনাইছিল। আনকি উপায়ুক্ত আৰু আয়ুক্তৰ নিচিনা পদৰ বিষয়াসকলেও পৌৰ নিগমৰ বিভিন্ন গুৰুত্বপূৰ্ণ দিশত তেখেতৰ পৰামৰ্শ লৈছিল।



মেধি দেৱৰ প্ৰভাৱ তেওঁৰ পেছাদাৰী জীৱনৰ সীমাৰ বাহিৰত বিস্তাৰিত হৈছিল। তেওঁ প্ৰতিকূল পৰিস্থিতিত তেওঁৰ স্থিতিস্থাপকতাৰ বাবে জনাজাত আছিল, বহু বছৰ আগতে বোম্বাইত এক জটিল অস্ত্ৰোপচাৰ কৰা হৈছিল। শাৰীৰিক আৰু আৰ্থিক প্ৰত্যাহ্বানৰ স্বত্বেও তেওঁ স্বাভাৱিক অৱস্থাৰ এক সন্মুখভাগ বজাই ৰাখিছিল আৰু আন লোক সকলক তেওঁৰ সংগ্ৰামৰ পৰা ৰক্ষা কৰিছিল।

তেওঁৰ পেছাদাৰী প্ৰচেষ্টাৰ বাহিৰেও, মেধি দেৱৰ সমাজ সেৱাৰ প্ৰতি সমৰ্পণ অতুলনীয় আছিল। তেওঁ বিভিন্ন সামাজিক পদক্ষেপত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল, যাৰ ভিতৰত আছে ফটাশিল ৰাজহুৱা নামঘৰ, কুমাৰপাৰা ৰাজহুৱা নামঘৰ, আৰু প্ৰাগজ্যোতি সাহিত্য সভাৰ দৰে প্ৰতিষ্ঠানৰ নেতৃত্ব। বিবাহ আয়োজনৰ পৰা সামূহিক সমাৰেশ আৰু অন্ত্যেষ্টিক্ৰিয়াৰ তত্বাৱধান লৈকে সামাজিক কল্যাণৰ প্ৰতিটো দিশতে মেধি দেৱৰ উপস্থিতি অনুভৱ কৰা হৈছিল।

বহুমুখী প্ৰতিভা সম্পন্ন ব্যক্তি, মেধি দেৱৰ দক্ষতা প্ৰদৰ্শন কলাৰ ক্ষেত্ৰলৈও বিস্তাৰিত হৈছিল। নাটক আৰু নাট্য প্ৰযোজনাত তেওঁৰ মনোমোহা প্ৰদৰ্শনে দৰ্শক সকলক মন্ত্ৰমুগ্ধ কৰি তুলিছিল যাৰ বাবে বহুতৰ হৃদয়ত প্ৰিয় ব্যক্তি হিচাপে তেওঁৰ স্থান অধিক সুদৃঢ় কৰিছিল।

তেওঁৰ মৃত্যুৰ বাতৰি সমগ্ৰ ফটাশিল অঞ্চলত প্ৰতিধ্বনিত হোৱাৰ লগে লগে, সেই অঞ্চল তথা গুৱাহাটী মহানগৰৰ এক অভূতপূৰ্ব ক্ষতিৰ অনুভূতিয়ে সম্প্ৰদায়টোক আৱৰি ধৰিছিল। মেধি দেৱৰ অৱদান, মূৰ্ত আৰু অমূৰ্ত দুয়োধৰণৰ, সমাজৰ কাপোৰত এক অমলিন ছাপ পেলাইছিল। তেওঁ কেৱল এজন বিষয়া বা সম্প্ৰদায়ৰ নেতা নাছিল; তেওঁ আশাৰ পোহৰ আৰু নিস্বাৰ্থ সেৱাৰ শক্তিৰ প্ৰমাণ আছিল।

যোৱা ১৮ ফেব্ৰুৱাৰী, ২০২৪ তাৰিখে তেওঁৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে আমি সুভাষ চন্দ্ৰ মেধি দেৱৰ জীৱন আৰু উত্তৰাধিকাৰৰ বিষয়ে চিন্তা কৰিবলৈ বিৰাম দিওঁ। যদিও তেওঁ আমাৰ মাজত আৰু খোজকাঢ়ি নোৱাৰে, তথাপিও তেওঁ স্পৰ্শ কৰা অগণন জীৱন আৰু তেওঁ এৰি যোৱা স্মৃতিবোৰত তেওঁৰ আত্মা জীয়াই আছে। যেতিয়া আমি তেওঁৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰোঁ, আমি সমাজৰ উন্নতিৰ প্ৰতি তেওঁৰ অটল প্ৰতিশ্ৰুতি অনুকৰণ কৰিবলৈ অনুপ্ৰাণিত হওঁক। তেওঁৰ উত্তৰাধিকাৰীক সন্মান জনাই, আমি মানৱতাৰ মূল কথাটোক সন্মান জনাইছো।

# অসমীয়াৰ হেঁপাহৰ গামোচাখনতে জড়িত অসমীয়াৰ আবেগ আৰু মৰ্যাদা

**মানসী মিশ্ৰ**

পুৰুষেই হওঁক, মহিলাই হওঁক গামোচাখন প্ৰতিগৰাকী ব্যক্তিৰ দৈনন্দিন জীৱনটোৰে অবিচ্ছেদ্য অংগ। ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি শোৱালৈকে কিমান যে কামত গামোচাখনৰ ব্যৱহাৰ হয় সেইকথা আমি প্ৰত্যেকেই উপলব্ধি কৰিব পাৰোঁ। এই গামোচাখন আমাৰ হেঁপাহৰ, আদৰৰ। গামোচাখন স্বদেশে বিদেশে সকলোতে আমি নিজকে চিনাকি দিয়াৰ মাধ্যম। এনেকুৱা হয় আমি প্ৰবাসত থাকিলে আপোন মানুহ বিচাৰি ফুৰোঁ, নিজৰ ঠাইৰ মানুহৰ আচাৰ ৰীতি, মাত কথালৈ বৰকৈ মনত পৰে। এনে অৱস্থাত আমি কাৰোবাৰ ডিঙিত গামোচাখন দেখিলে আমি নিজেই গৈ আপোনত্বৰ ভাৱেৰে আঁকোৱালি লওঁ। ইয়াৰ লগে লগে ব'হাগৰ বিহুটি আহিলেই প্ৰথমেই সুন্দৰ ফুলাম গামোচাখনি আমাৰ দুচকুৰ সমুখত ভাঁহি উঠে। বিহুৰ সময়ত মৰম, আৰ্শীবাদৰ চিনস্বৰূপে এই গামোচাখন দিয়ে বাবে আমি বিহুৱান বুলিও কওঁ। চ'ত মাহৰ পৰাই অসমীয়া জীয়ৰী বোৱাৰীয়ে তাঁতশালত যি গামোচা লগায় জীৱনৰ লগত সাঙোৰ খাই থকা বিভিন্ন আপোনজনক দিবলৈ,



প্ৰিয়জনক দিবলৈ। প্ৰিয়জনেও এইখন বিহুৱানলৈ বৰ হেঁপাহেৰে বাট চাই ৰয়। বহু যত্ন কৰি নিজৰ প্ৰতিভা, নিখুত শৈলী খটুৱাই এই বিহুৱান তথা গামোচা সমূহ বৈ উলিয়াবলৈ যত্ন কৰে। সেয়েহে বহু আগৰ পৰাই মানুহৰ মুখে মুখে প্ৰচলিত হৈ আহিছে সেইযাৰ কথা যে অসমীয়া শিপিনীয়ে তাঁত শালত পৰীৰ সপোন ৰচনা কৰে। বিহুৰ দিনকেইটাত আমি মৰম চেনেহৰ চিনস্বৰূপে জ্যেষ্ঠ, কনিষ্ঠ সকলৰ সৈতে আদান প্ৰদান কৰোঁ। ইয়াৰ জৰিয়তে আমি উত্তৰ প্ৰজন্মক শিকাই দিওঁ বিহুৱানখনৰ গুৰুত্ব।

বিহুৱান হিচাপে ব্যৱহাৰ কৰা এই গামোচাখনৰ অসমীয়া জনজীৱনৰ লগত ওতঃপ্ৰোত সম্পৰ্ক আছে। জন্মৰ পৰা মৃত্যুলৈকে দুয়োটা বিশেষ ক্ষণত যিসমূহ আচাৰ ৰীতি পালন কৰিবলগীয়া হয়, সকলোতে গামোচাখন লাগে। সমগ্ৰ জীৱন প্ৰক্ৰিয়াত আয়োজন কৰা বিভিন্ন পূজা পাতাল, ধৰ্মীয় আচাৰ ৰীতি, সামাজিক অনুষ্ঠান প্ৰতিষ্ঠান সকলোতে গামোচাৰ গুৰুত্ব অপৰিহাৰ্য্য।

বিহুৰ সময়ত এইখন গামোচাৰে মানুহক সন্মান যচা হয়। যিসমূহ সাংস্কৃতিক কাৰ্য্যসূচী অনুষ্ঠিত হয় সেই সমূহত অনুষ্ঠান পৰিৱেশন কৰা সকলোৰে ডিঙিত ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। এটা কথা প্ৰায়ে মন কৰা যায় যে বহু সংখ্যক গায়ক গায়িকাই গামোচাখন ডিঙিত দিয়াৰ কিছুসময় পিছতে গামোচাখন দূৰলৈ দলিয়াই দিয়ে। দহমিনিট সময়ো ডিঙিত গামোচাখন লৈ থাকিবলৈ ধৈৰ্য আৰু সময় নাথাকে। এনে কাম দৰাচলতে অশোভনীয় আৰু এনে কামৰ দ্বাৰা আমাৰ নিজৰ জাতীয় সংস্কৃতিৰ উপাদানসমূহ আপোন হাততে প্ৰৱঞ্চিত হোৱা যেন লাগে। গতিকে আমি সকলোৱে আমাৰ জাতীয় ঐতিহ্য বহনকাৰী গামোচাখনক আমি প্ৰতিটো মূহুৰ্ততে উপযুক্ত সন্মান দিবলৈ চেষ্টা কৰিব লাগে।

বহু বিহুতলীলৈ যাওঁ লগতে টি.ভিৰ পৰ্দাতো গুৱাহাটীৰ বাহিৰৰ বিভিন্ন অনুষ্ঠান উপভোগ কৰোঁ। এই অনুষ্ঠানসমূহত গীত, নৃত্যৰ বিভিন্ন অনুষ্ঠান পৰিৱেশন কৰা গায়ক সকলক এই বিহুৱান যাঁচি সন্মান প্ৰদৰ্শন কৰা হয়। বহুতেই বৰ সন্মান, সাদৰেৰে গ্ৰহণ কৰে এই গামোচা অথবা বিহুৱানখন। কিন্তু বহুতেই আকৌ গামোচাখন ডিঙিত পিন্ধাই দিয়াৰ এক/ দুই মিনিটৰ ভিতৰতে গামোচাখন দলিয়াই পেলোৱা দেখা যায়। মানুহে ইমান সন্মান, সম্ভ্ৰমেৰে পিন্ধাই দিয়া গামোচাখন সেই গায়ক/গায়িকাসকলে পাঁচ/ দহমিনিট সময়ো ডিঙিত ৰাখিব নোৱাৰা হয়। এই মূহুৰ্ত কেৱল দেখিবলৈ যে দৃষ্টিকটু হয় তেনে নহয় আমাৰ নিজৰ জাতীয় সত্বাতো কৰবাত আঘাত হানে। এই ক্ষেত্ৰত আমি সকলোৱে গামোচাখনক উপযুক্ত সন্মান প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰাটো উচিত।

এই গামোচাখন যে কেৱল বিহুৰ সময়ত বিহুৱান হিচাপে দিবলৈ, মৰম চেনেহ যাচিবলৈ ব্যৱহাৰ কৰোঁ তেনে নহয় আমাৰ জনজীৱনৰ জন্ম, মৃত্যু, বিবাহ আদি জীৱন চক্ৰৰ প্ৰতিটো কাৰ্যকলাপৰ লগত জড়িত। ঘৰএখনত নৱজাতক এটি জন্ম হোৱাৰ পিছত অনুষ্ঠিত বিভিন্ন লোকাচাৰ, মানুহৰ ঘৰত আয়োজিত বিভিন্ন পূজা, পাতাল আদিৰ সময়ত, ঘৰখনত বিবাহ অনুষ্ঠানৰ আয়োজন কৰা সময়তো বহুলভাৱে গামোচাৰ প্ৰয়োজন হয়।

মৃত্যু হোৱাৰ পিছতো গামোচাৰ আৱশ্যক। মৃতকৰ আত্মাৰ সদগতিৰ অৰ্থে যিসমূহ ৰীতি নীতি, সকাম, নিকাম পালন কৰা হয় সেই সময়তো এই গামোচা খন অপৰিহাৰ্য্য। মানৱ জীৱনৰ সুখ আৰু দুখ এই দুয়োটা সময়তে গামোচাখন আমাৰ বাবে অপৰিহাৰ্য্য হৈ পৰে। সেইকাৰণেই এইবিধ বস্ত্ৰই আমাৰ মানৱ

( নপৃষ্ঠাত চাওক)

# অসমীয়াৰ হেঁপাহৰ গামোচাখনতে জড়িত অসমীয়াৰ আবেগ

সমাজৰ পৰা উপযুক্ত আদৰ, সন্মান পোৱা উচিত।

এই গামোচাক মানুহে স্ব-অৱলম্বনৰ পথ হিচাপেও লৈছে বহু সংখ্যক লোকে। অসমৰ শিপিনীয়ে বৰ সুন্দৰ আৰ্হিৰ ফুলবাছি উৎকৃষ্ট মানৰ গামোচা প্ৰস্তুত কৰি উলিয়াই যিসমূহ ভাৰতৰ বিভিন্ন ৰাজ্যলৈ ৰপ্তানি কৰা হয়। এই গামোচাখনে এতিয়া আন্তৰ্ৰাষ্ট্ৰীয় চাহিদা আৰু স্বীকৃতি লাভ কৰিবলৈ সমৰ্থৱান হৈছে। কিন্তু ইয়াৰ মাজতে এটা কথা কব লাগিব যে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ শিপিনী সকলে বৈ উলিওৱা গামোচাসমূহে আমাৰ নিজৰ ৰাজ্যতে উপযুক্ত চাহিদা লাভ কৰিবলৈ সমৰ্থ হোৱা নাই। হয়তো বহুক্ষেত্ৰত ইয়াৰ নিৰ্ধাৰিত মূল্য আৰু গুণগত মান সমানুপাতিক নোহোৱা বাবেই আমাৰ নিজৰ ৰাজ্যৰে অধিক সংখ্যক লোকে ইয়াক কিনিবলৈ অৱহেলা কৰে। এতিয়াও সেইবাবে প্ৰয়োজনৰ সময়ত অসমীয়া ৰাইজে মাদ্ৰাজী গামোচা বিচাৰি ফুৰা দেখিবলৈ পোৱা যায়। যিখন গামোচা অসমীয়া ৰাইজৰ স্ব-অভিমানৰ প্ৰতীক, সেইখন বস্ত্ৰই নিজৰ আপোন ঠাইতে আনাদৃত হোৱাটো আমাৰ বাবে দুখ আৰু লাজৰ কথা। সেইবাবে এ গামোচাৰ দৰে এবিধ অতি আৱশ্যকীয় নিজ ব্যৱহাৰ্য্য বস্ত্ৰই এখন স্থায়ী আৰু সুন্দৰ বজাৰ আমাৰ নিজৰ ৰাজ্যত লাভ কৰিব লাগিছিল। ইয়াৰ বাবে অসমীয়া ৰাইজে নিজেও যত্নপৰ হ'ব লাগিব। বিশেষকৈ শিপিনী সকলে এই গামোচাৰ দৰে বস্ত্ৰবিধক বজাৰ মুখী কৰি তোলোতে ইয়াৰ গুণগত মানদণ্ড আৰু বজাৰ মূল্যৰ মাজত সামঞ্জস্য ৰাখি আগবাঢ়িলে এইক্ষেত্ৰত হয়তো ফলদায়ক হ'ব। এই গামোচা উদ্যোগটো চলাই নিবলৈ পুৰুষ মহিলা সকলোৰে সহযোগিতাত আগবাঢ়িব লাগিব। ইমান প্ৰয়োজনীয় বস্ত্ৰ যাক সুন্দৰ, সুপৰিকল্পিত ভাৱে আগবঢ়াই লৈ গ'লে একাংশ লোক উপকৃত হ'ব পাৰিব, আমাৰ ৰাজ্যৰ অৰ্থনীতিত এক ধনাত্মক প্ৰভাৱ পেলাব। গতিকে অসমীয়া সংস্কৃতিৰ বাহক, স্বাভিমানৰ প্ৰতীক গামোচাখন সদায় আমাৰ মনত আদৰৰ হৈ থাকক, আমাৰ স্বজাতিৰ মানুহে এইখনৰ মান মৰ্যাদা অক্ষুণ্ণ ৰাখিবলৈ যত্নপৰ হওঁক। এই বস্ত্ৰই এদিন গৈ আন্তৰ্জাতিক স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হওঁক।

# বিহুৱান, হাঁচতি, টঙালি

আত্মীয়জনক, প্ৰিয়জনক বিহুৱান হিচাপে গামোচা দিয়াটো অসমীয়া সমাজৰ এক অপৰিহাৰ্য সংস্কাৰ তথা পৰম্পৰা। 'বিহুৱান' এখন গ্ৰহন কৰি বা 'বিহুৱান' এখন আপোনজনক প্ৰদান কৰা কাৰ্যটোত আত্মসন্তুতি জড়িত হৈ থাকে। 'বিহুৱান' বা 'গামোচা'ৰ আকাৰ বৰ বেছি ডাঙৰ নহয়। ৰঙা পাৰিৰ লগতে কেতিয়াবা সেউজীয়া পাৰিৰো গামোচা বোৱা হয়।

অসমৰ বাবে আটাইতকৈ ভাললগা কথাটো হৈছে যে ২০২২ চনৰ ১৩ ডিচেম্বৰত বস্তুৰ ভৌগোলিক ও প্ৰদৰ্শন পঞ্জীয়ন তথা সংৰক্ষণ অধিনিয়ম ১৯৯৯ অনুসৰি ভাৰত চৰকাৰে অসমৰ গামোচাক 'জি আই টেগ' অৰ্থাৎ 'ভৌগোলিক উপদৰ্শন পঞ্জীয়ণ' ত অন্তৰ্ভুক্ত কৰে। অসমীয়া মানুহে গামোচাখনক সংস্কৃতিৰ ধ্বজাবাহী বস্ত্ৰ হিচাপে গণ্য কৰে সমগ্ৰ অসমৰ বিভিন্ন ঠাইত ঠাই বিশেষে আকৌ গামোচাৰ নাম বেলেগ বেলেগকৈ উচ্চাৰণ কৰে। গামোচা বিভিন্ন প্ৰকাৰৰ আছে। পানী গামোচা, তামোল গামোচা, বিহুৱান, ফুলাম গামোচা, ফুটুকী গামোচা আৰু কমৰবন্ধ। কিন্তু বিহুত লোৱা গামোচাখনৰ মান্যতা সদায় বেলেগ। গামোচা সাধাৰণতে ঢুলীয়াই মুৰত মাৰে, কঁকালতো বান্ধি লয়। 'গামোচা' আৰু 'বিহুৱান' বহুতে পৃথক বুলি কব খোজে। দুয়োমুৰে ৰঙা আঁচুৰে ফুল থকাখন 'গামোচা' আৰু এটা মুৰে ফুল থকাখন 'বিহুৱান'। পিচে যিয়ে নহওক 'বিহুৱান গামোচা' খন প্ৰিয়জন, আপোনজনক উপহাৰ দি আহ্লাদিত হোৱাটি অসমীয়া মানুহৰ সংস্কাৰ। 'গামোচা' যিদৰে আদৰৰ বস্ত্ৰ ঠিক সেইদৰে 'টঙালি' খনো ঢুলীয়াৰ বৰ আদৰৰ বস্ত্ৰ। বিহু নাচিবৰ বাবে ঢুলীয়াই কঁকালত 'টঙালি' মাৰি লয়। 'টঙালি'ও তাঁতশালত বৈ উলিওৱা এক দীঘল বস্ত্ৰ। 'টঙালি'ৰ জোখ সাধাৰনতে ডেৰ-বাৰহাত দীঘল হয়। 'টঙালি'খন গামোচাৰ তুলনাত যথেষ্ট দীঘল হয়, ৰঙা সূতাৰে বোৱা ৰঙা ৰঙৰ টঙালি কঁকালত মাৰি নাচিলে ঢুলীয়াসকলে গাত শক্তি পোৱা যেন অনুভৱ কৰে। টঙালিত সোণালী বা হালধীয়া ৰঙৰ আঁচুৰে ফুল বচা হয়। টঙালি ঠেক আৰু দুয়োফালে শেলসহ ডাঙৰকৈ ফুল আৰু বুটা বচা থাকে। ভকতৰ মুৰত মৰা পাগখন আকৌ বগা বা মুগা ৰঙৰ হয়। টঙালি বস্তুক লৈ ফকৰা যোজনাও অসমীয়া সমাজত প্ৰচলিত আছে যে কিবা ভাল কাম কৰিবৰ বাবে গাত শক্তিৰ সঞ্চাৰ কৰি লোৱা কাৰ্যটোক 'কঁকালত টঙালি বান্ধি' লোৱা বুলি কয় ।বা এনেদৰেও ফকৰা যোজনা পোৱা যায়-

"ফটা হওক ছিটা হওক পাটৰ টঙালি  
কণা হওক কুঁজা হওক ভুঞাৰ পোৱালী"

টঙালিখন কঁকালত কমৰবন্ধনী বা পেটীৰদৰে মেৰিয়াই বান্ধি সোঁফালে বিশেষ ধৰণেৰে গাঁঠি মাৰি ৰখা হয়। ই পুৰুষসকলৰ অধোবস্ত্ৰ আটিলকৈ বান্ধি ৰখাত সহায় কৰে। আহোম বিবাহ প্ৰথাত চকলঙ ৰ সময়ত কন্যাই দৰাৰ হাতত কঁকালত টঙালি কৰচ বান্ধে।

"ৰাতি কপাহ ধুনি ৰাতিতে নেওঠি  
ৰাতি পাঁজিসেৰা বাতি  
মোৰ ধন চেনাইয়ে পুৱালৈ দিছিলে  
চেনেহৰ টঙালি কাটি"

টঙালিৰ ব্যৱহাৰ আহোমৰ ছশবছৰীয়া ৰাজত্বকালতো উল্লেখ পোৱা যায়। মধ্যযুগৰ আহোম ৰমণীয়ে ৰণলৈ যোৱা গৃহস্থক একেৰাতিৰ ভিতৰতে টঙালি বৈ কাটি ৰক্ষাকৱচ হিচাপে দিছিল। ৰজনীকান্ত বৰদলৈৰ তাম্ৰেশ্বৰী মন্দিৰ উপন্যাসত এই টঙালিৰ বিষয়ে উল্লেখ পোৱা যায়। লোক প্ৰবচন মতে মোগলৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ যোৱা আহোম সেনাপতি ফ্ৰাচেঙমুঙক পত্নী মূলাগাভৰুৰে ৰক্ষাকৱচ হিচাপে টঙালি বৈ দিব নোৱাৰাৰ বাবে ফ্ৰাচেঙমুঙৰ মৃত্যু ঘটিছিল। সেই যুদ্ধত মূলাগাভুৰুৱেও অৱশেষত জঁপিয়াই পৰিবলগীয়া হৈছিল।

"ৰঙালী ঐ টঙালি ঐ  
ব'হাগৰ বিহুৰে ধেমালি ঐ"

ঠিক তেনেকৈ হাঁচতিও এবিধ ক্ষুদ্ৰ বস্ত্ৰ। অসমীয়া কৃষ্টি সংস্কৃতিক চহকী কৰি ৰখা এই বস্ত্ৰবিধৰ মূল্য কেতিয়াও নকমে। হাঁচতি নাচনীয়ে কঁকালত বান্ধি ওলোমাই লয়। হাঁচতি আচলতে তামোল বন্ধা সৰু চানেকীয়া এখনি বস্ত্ৰ। হাঁচতি প্ৰকাৰ কেইবাবিধো বুলি বহুতে কব খোজে। সোণৰ সূতা দিয়া হাঁচতি, মুৰ হাঁচতি, পখৰুতং, তামোল বন্ধা হাঁচতি, তালুত সেন্দুৰ ফুল দিয়া হাঁচতি আদি। বিহুৱতী নাচনীগৰাকীয়ে হাঁচতিৰ ওলমি যোৱা অংশটোত সৰু ডবুৰা কটাৰী এখন বান্ধি লয়। বিহুৱা ডেকাই হাঁচতি দুয়োখন হাতত বান্ধি লোৱা দেখা যায়...

"ধনলৈয়ে বুলি হাঁচতি বৈছিলোঁ  
ফুলতে লাগিলে কেণা  
কোনজন ঈশ্বৰে তোমাৰে আমাৰে  
জীৱনৰ ভাঙিব জেঙা"

আগলৈ...

# লিমাৰিক

**মন্দিতা চেতিয়া গগৈ, ৰাজগড়, ডিব্ৰুগড়**



(১)  
গণতন্ত্ৰত বোলে ৰাইজ হয় ৰজা  
নিৰ্বাচন হ'লে কথাষাৰ হয় সঁচা  
হাতে-ভৰিয়ে ধৰেহি  
ভোটটো মোকেই দিবি  
নিৰ্বাচন গ'লেই কঁকাল হয় বেঁকা।

(২)  
ধান-চাউল দিম, মোকে ভোটটো দিবি  
লাখপতি হৈ সকলোৰে ঘূৰি ফুৰিবি  
হাতত নাথাকে টকা  
চৰা দামে কৰে কোঙা  
বিয়াখন পাতিব নোৱাৰিম কিজানি।

(৩)  
সভাখন শুৱনি কৰিবা, দিম টকা  
নহ'লে দেখোঁ সভাঘৰ লাগিব উকা  
মাৰিবা মিচিকি হাঁহি  
মৰমত যাম পমি  
দিম মই তোমাক ফ্লায়িং কিছ এটা।

(৪)  
পতি-পত্নীৰ মাজত লাগিছে কাজিয়া  
কোনো যদি বিবেকবান, কোনো লুভীয়া  
ধনেই ধৰ্মৰ মূল  
নহ'লে যাবগৈ কূল  
লাখপতি হোৱাৰ সপোনত বলিয়া।

(৫)  
বাঢ়িলেও বাঢ়ি থাক দৰৱৰ দাম  
দুখীয়া মানুহৰ এনেয়ো নাই কাম  
ধনীবোৰ থাক বাচি  
ইয়াতে সৰগ ৰচি  
ৰস্তা মেনকাৰ নাচ মৰততে চাম।

# দৰঙৰ মাইক্ৰ’ অবজাৰ্ভাৰ

সমূহলৈ যাতায়াত, এনে কেন্দ্ৰসমূহত কেন্দ্ৰীয় অৰ্ধ - সামৰিক বাহিনীৰ নিৰাপত্তা ব্যৱস্থা আদিৰ প্ৰসংগইও স্থান লাভ কৰে। তেওঁ কয় যে মাইক্ৰ’ অবজাৰ্ভাৰকে ধৰি নিৰ্বাচনৰ সৈতে জড়িত সকলো বিষয়া - কৰ্মচাৰীয়ে নিজৰ কৰ্তব্য পালনৰ সময়ত নিৰপেক্ষ স্থিতি গ্ৰহণ কৰিব লাগিব। ভোটগ্ৰহণ কামত নিয়োজিত থাকোতে অধিক আত্মবিশ্বাসী বা অত্যুৎসাহী হোৱাৰ অপকাৰিতাৰ প্ৰতিও তেওঁ আঙুলিয়াই দিয়ে। জিলাখনৰ যি কোনো স্থানতে ভোটগ্ৰহণ সময়ত সাধাৰণ পৰ্যবেক্ষক দৃষ্টিগোচৰ কৰিবলগীয়া ত্ৰুটি - বিচ্যুতি চকুত পৰিলে তেওঁলোকক দিয়া ফোন নম্বৰৰ জৰিয়তে তেওঁক পোনপটীয়াকৈ অৱগত কৰিব পাৰিব বুলিও সাধাৰণ পৰ্যবেক্ষক গৰাকীয়ে কয়। উক্ত প্ৰশিক্ষণ অনুষ্ঠানত জিলা আয়ুক্ত তথা জিলা নিৰ্বাচন বিষয়া মুনীন্দ্ৰ নাথ ঙাটে, আৰক্ষী অধীক্ষক প্ৰকাশ সোণোৱাল, জিলা উন্নয়ন আয়ুক্ত পংকজ কুমাৰ ডেকা, অতিৰিক্ত আয়ুক্ত (নিৰ্বাচন) মানস কুমাৰ শইকীয়া আদি জ্যেষ্ঠ বিষয়া সকল উপস্থিত থাকে।

# পৰ্যবেক্ষক, প্ৰাৰ্থী-প্ৰতিনিধি

কথা উল্লেখ কৰে। সভাত ব্যয় পৰ্যবেক্ষক গৰাকীয়ে কয় যে নিৰ্বাচনৰ বাবে প্ৰতিগৰাকী প্ৰাৰ্থীৰ নিজৰ নামত পৃথকে বেংক একাউণ্ট থাকিব লাগিব আৰু মনোনয়ন পত্ৰ দাখিল কৰাৰ পৰা ভোটগ্ৰহণৰ দিনটোলৈকে তিনিবাৰ তেওঁলোকৰ একাউণ্ট সমূহ পৰীক্ষা কৰা হ’ব। ২৭ এপ্ৰিল, ৩০ এপ্ৰিল আৰু ৩ মে’ ত এই পৰীক্ষা কৰা হ’ব। তদুপৰি তেওঁ প্ৰতিটো দল তথা প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ, যাতায়ত আদিৰ ব্যয় নিয়মিতভাৱে পৰ্যবেক্ষণ কৰি থকা হৈছে বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে নিৰ্বাচনী ব্যয়ৰ সৈতে জড়িত অভিযোগৰ বাবে ব্যয় পৰ্যবেক্ষকৰ মোবাইল নং - ৯৮৬৪২-২২৪১১, সাধাৰণ অভিযোগৰ বাবে সাধাৰণ পৰ্যবেক্ষকৰ মোবাইল নং- ৬০০৩৭-৭৫৬৯৬ আৰু আৰক্ষী পৰ্যবেক্ষকৰ ওচৰত কিবা অভিযোগ দিবলগীয়া থাকিলে মোবাইল নং- ৯৯৮৯০-৯৩৭৬৪ ত যোগাযোগ কৰিবলৈ সকলো পক্ষকে আহ্বান জনোৱা হৈছে। সভাত কামৰূপ মহানগৰ জিলা ৰিটাৰ্ণিং বিষয়া সুমিত চাত্তাৱনে নিৰ্বাচন প্ৰক্ৰিয়া সম্পূৰ্ণ সুকলমে পৰিচালনা কৰাৰ ক্ষেত্ৰত সকলো পক্ষৰ সহায়-সহযোগিতা কামনা কৰিছে।

# ভাৰতীয় জনতা পাৰ্টীৰ নিৰ্বাচনী ৰেলী

গুৱাহাটী পৌৰ সভাৰ মেয়ৰ মৃগেন শৰণীয়া, কাউন্সিলাৰ প্ৰমোদ স্বামীকে আদি কৰি এই ৰেলীত প্ৰায় ৮০০ মানৰো অধিক পুৰুষ মহিলাই অংশগ্ৰহণ কৰে। ৰেলী কৰি গৈ থকা অৱস্থাত বিভিন্ন ব্যৱসায়িক প্ৰতিস্থান, সংগঠন আদিয়ে ফুলাম গামোচাৰে সম্ভাষণ জনায় আৰু পুষ্প বৃষ্টি কৰে। তেওঁৰ লগত সংগ দিয়ে মন্ত্ৰী অশোক সিংঘল আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেণ শৰণীয়া, কাউঞ্চিলাৰ প্ৰমোদ স্বামী আদি ব্যক্তিয়ে। ইয়াৰ পাছতে মন্দিৰ প্ৰাংগনত প্ৰায় ১৫ মিনিট মান সময় এখন সভা পাতি কাৰ্যসূচী সমাপ্ত কৰে।

# খালিস্তানী নেতা অমৃতপাল সিং

চনৰ ফেব্ৰুৱাৰী মাহত। অমৃতপাল আৰু তেওঁৰ সহযোগীসকলে অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ পঞ্জাৱৰ আজনালাৰ এখন আৰক্ষী থানাত আক্ৰমণ কৰে। অমৃতপালৰ সমৰ্থকসকলে অপহৰণ আৰু দাঙ্গাৰ অন্যতম অভিযুক্ত টুফানক মুক্তি দিয়াৰ দাবীত আৰক্ষী থানা আক্ৰমণ কৰিছিল। ঘটনাটোত ছয়জন আৰক্ষী আহত হৈছিল। অমৃতপালৰ বিৰুদ্ধে তেওঁৰ এজন প্ৰাক্তন সহযোগীৰ দ্বাৰা এটা অভিযোগ দাখিল কৰা হৈছিল। এইটো অভিযোগ কৰা হৈছিল যে তেওঁলোকে আজনালাৰ পৰা বৰিন্দৰ সিং নামৰ এজন ব্যক্তিক অপহৰণ কৰিছিল আৰু তাৰ পিছত তেওঁক আক্ৰমণ কৰিছিল।অমৃতপাল ডুবাইৰ পৰিবহন ব্যৱসায়ত জড়িত আছিল। অমৃতপাল সিঙৰ জন্ম ১৯৯৩ চনত অমৃতসৰৰ জালুপুৰ খেৰা গাঁৱত হৈছিল। মাত্ৰ দ্বাদশ শ্ৰেণীলৈ উত্তীৰ্ণ হোৱা অমৃতপাল হঠাতে ডুবাইলৈ গ’ল। তাত অমৃতপালে পৰিবহনৰ ব্যৱসায়ৰ সৈতে জড়িত আছিল। পাঞ্জাৱী অভিনেতা আৰু কৰ্মী দীপ সিদ্ধুৱে ২০২১ চনৰ ৩০ ছেপ্টেম্বৰত ৱাৰিছ পাঞ্জাৱ দে সংগঠন প্ৰতিষ্ঠা কৰিছিল। দীপ সিদ্ধুৱে কৈছিল যে ইয়াৰ উদ্দেশ্য আছিল যুৱকসকলক শিখ ধৰ্মৰ পথত অনা আৰু পঞ্জাৱক জাগ্ৰত কৰা। কৃষকসকলৰ প্ৰতিবাদত দীপ সিদ্ধুৰ নাম আহিছিল আৰু তাৰ পিছত ২০২১ চনৰ ২৬ জানুৱাৰী তাৰিখে লালকিল্লাত হিংসাৰ গোচৰ হৈছিল তেওঁৰ। ২০২২ চনৰ ১৫ ফেব্ৰুৱাৰীত দিল্লীৰ পৰা পঞ্জাৱলৈ উভতি অহাৰ সময়ত দীপ সিদ্ধুৰ সোনিপতৰ ওচৰত এক পথ দুৰ্ঘটনাত মৃত্যু হয়। মাৰ্চ মাহত, দাবী কৰা হৈছিল যে অমৃতপাল এতিয়া ৱাৰিছ পাঞ্জাৱ দে সংগঠনৰ নতুন মুৰব্বী। ইয়াৰ পিছত, ২০২২ চনৰ২৯ ছেপ্টেম্বৰ ২০২২ তাৰিখে, অমৃতপালক মোগাৰ ৰোডে গাঁৱত সমৰ সজ্জাৰে সজ্জিত কৰা হৈছিল। ইয়াৰ পিছত, অমৃতপালে চৰকাৰ আৰু ব্যৱস্থাক পোনপটীয়াকৈ প্ৰত্যাহ্বান জনোৱা আৰম্ভ কৰে।

# গুজৰাটৰ পোৰবন্দৰত বিশাল নিৰ্বাচনী

বিজয় সাব্যস্ত হ’লেই প্ৰধানমন্ত্ৰী হিচাপে তৃতীয়বাৰৰ বাবে নৰেন্দ্ৰ মোদীয়ে দায়িত্ব লাভ কৰিব। যদি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হ’ব পাৰে, তেতিয়াহ’লে দেশৰ পৰা সন্ত্ৰাসবাদ আৰু নক্সালবাদ সমূলঞ্চে উৎখাত কৰিব। বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতিৰ দেশ হিচাপে পৰিণত হ’ব ভাৰত। লক্ষণীয় যে মোদীৰ বিগত দুটা কাৰ্যকালত সন্ত্ৰাসবাদক লৈ শূন্য সহনশীলতা নীতি গ্ৰহণ কৰা হৈছে। পুলবামা আৰু উৰিত পাকিস্তানী সন্ত্ৰাসবাদীয়ে আক্ৰমণ কৰাৰ পিছত প্ৰধানমন্ত্ৰী মোদীয়ে ১০ দিনৰ ভিতৰত প্ৰতিশোধকল্পে পাকিস্তানত ছাৰ্জিকেল আৰু এয়াৰষ্ট্ৰাইক চলাইছিল। আনপিনে কংগ্ৰেছ দল আৰু শীৰ্ষনেতা ৰাহুল গান্ধীক আক্ৰমণৰ লক্ষ্য কৰি লৈ গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে কাশ্মীৰ উপত্যকাৰ পৰা অনুচ্ছেদ ৩৭০ প্ৰত্যাহাৰ কৰাৰ পিছত কংগ্ৰেছৰ নেতা, ৰাহুল গান্ধীয়ে এই ঐতিহাসিক সিদ্ধান্তৰ বিৰোধিতা কৰিছিল। কৈছিল যে কাশ্মীৰত ৰক্তনদী বৈ যাব। কিন্তু বিগত পাঁচ বছৰত ৰক্তনদী বোৱা নাই। কোনো লোকে শিলগুটি নিক্ষেপ কৰিবলৈ সাহস কৰা নাই। প্ৰধানমন্ত্ৰী হিচাপে মনমোহন সিং দায়িত্বত থকাত পাকিস্তানৰ পৰা যিকোনো লোক সোমাই ভাৰতত বোমা বিস্ফোৰণ ঘটাইছিল। নৰেন্দ্ৰ মোদীৰ কাৰ্যকালত এয়া সম্ভৱ হোৱা নাই।

# জুবিন গাৰ্গৰ বিৰুদ্ধে

হৈছিল মাজুলী সত্ৰ মহাসভাৰ এই গুৰুত্বপূৰ্ণ সভা। সভাত কেবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। এইসভাতে মাজুলীৰ পৰা শিল্পীগৰাকীক প্ৰদান কৰা “সংগীত সিন্ধু” উপাধি জুবিন গাৰ্গক নিজে আহি ঘূৰাই দিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। এই সমগ্ৰ বিষয় জিলা আয়ুক্তৰ যোগেদি মুখ্যমন্ত্ৰীক অৱগত কৰাৰ সিদ্ধান্তও সত্ৰ মহাসভাই গ্ৰহণ কৰে।আনহাতে মাজুলী জিলা সত্ৰ মহাসভাই ৰাজহুৱা কৰা এক জাননীত উল্লেখ কৰে যে অহা ২৯ এপ্ৰিলত পূব মাজুলীত জুবিন গাৰ্গৰ সংগীতানুষ্ঠান আছে। উক্ত দিনা অনুষ্ঠান পৰিৱেশন কৰিলে যিকোনো অপ্ৰীতিকৰ পৰিৱেশৰ বাবে আয়োজক সমিতি তথা প্ৰশাসন জগৰীয়া হ’ব বুলি উল্লেখ কৰে।

# গুৱাহাটীত ছাত্ৰ-ছাত্ৰী

৩০ এপ্ৰিল ২০২৪ লৈ অনুষ্ঠিত হবলগীয়া এই শিবিৰত ছাত্ৰ ছাত্ৰীসকলক বহুকেইজন সমল ব্যক্তি সমল ব্যক্তিয়ে বিভিন্ন বিষয়ত নিজৰ ব্যক্তব্য ৰাখিব। হাইস্কুল বা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত ছাত্ৰ বা ছাত্ৰী গৰাকীয়ে কেনেদৰে পঢ়িব, নেতৃত্বৰ বিকাশ, লিখনি লিখন, বক্তৃতা প্ৰদান আদিৰ ওপৰত ছাত্ৰ ছাত্ৰী সকলক প্ৰশিক্ষণ প্ৰদান কৰা হ’ব।

# দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ

দ্বিতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হোৱা কোনখন আসনত প্ৰতিদ্বন্দ্বিতা হৈছে সেই বিষয়ে সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত আসনখনৰ নামটো ক’বলৈ অস্বীকাৰ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে নামটো ক’ব খোজা নাই। কাৰণ, কাৰ্যকৰ্তাসকলে দুখ পাব। সেইদৰে তৃতীয় পৰ্যায়ত নিৰ্বাচন হ’বলগীয়া ধুবুৰী আসনখনৰ সম্পৰ্কত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ধুবুৰীত প্ৰতিদ্বন্দ্বিতা হ’ব। কিন্তু কাৰ লগত প্ৰতিদ্বন্দ্বিতা হ’ব সেয়া নিৰ্বাচনী প্ৰচাৰত যোৱাৰ পাছত ক’ব পাৰিম। ধুবুৰীত ১০ খনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে যিহেতু মই মুখ্যমন্ত্ৰী, সেয়ে ৰাজ্যখনৰ সকলো ঠাইলৈ যাব লাগিব। নহ’লে মানুহে ভাবিব তেওঁলোকক সেই অঞ্চলটোৰ স্বাধীনতা দি দিয়া বুলি। সেয়ে তেওঁ ৰাজ্যখনৰ সকলো অঞ্চললৈ যাব। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে ধৰ্মীয় সংখ্যালঘুৰ বাবে বেছি কাম কৰাৰ কথা উল্লেখ কৰি তেওঁ কয় যে তিনি তালাক বন্ধকে ধৰি বাল্যবিবাহ বন্ধ আদি কামে ধৰ্মীয় সংখ্যালঘুসকলক উপকৃত কৰিছে। লাহে লাহে ধৰ্মীয় সংখ্যালঘুসকলে সেই কথা বুজি পাইছে আৰু তাৰ বাবেই তেওঁলোক বিজেপিৰ সভালৈ ওলাই আহিছে। কলেজত নামভৰ্তিৰ পৰা আৰম্ভ কৰি লাখপতি বাইদেউসকলক চেগুন, শাল আদি গছ ৰোপণ কৰিবলৈ যি কথা কোৱা হৈছে এয়া অকল হিন্দুৰ বাবেই নহয়, ধৰ্মীয় সংখ্যালঘুসকলো ইয়াৰ পৰা উপকৃত হ’ব। চৰকাৰৰ সকলো আঁচনি হিন্দুৱেও পাইছে, ধৰ্মীয় সংখ্যালঘুৱেও পাইছে। মুখ্যমন্ত্ৰী হিচাপে মোৰ কাম হৈছে ৰাজ্যখনৰ জনসাধাৰণক বিকাশৰ পথ দেখুওৱা। নিৰ্বাচনী প্ৰচাৰ সভাসমূহত তেওঁ কংগ্ৰেছ, ৰাহুল গান্ধী আদিৰ নাম নোলোৱাৰো উল্লেখ কৰি কয় যে নিৰ্বাচনী প্ৰচাৰ সভাসমূহত তেওঁ কেৱল বিকাশ আৰু উন্নয়নৰ দিশটোৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে।

# মণিপুৰত উগ্ৰপন্থীৰ গুলীবৰ্ষণ

নিৰাপত্তাৰ দায়িত্বত নিয়োজিত হৈ আছিল। নিশা প্ৰায় ১২ বজাত কুকি উগ্ৰপন্থীৰ এটা দলে চিআৰপিএফৰ কেম্পটোত স্বয়ংক্ৰিয় আগ্নেয়াস্ত্ৰ আৰু গ্ৰেনেডেৰে আক্ৰমণ কৰে। উগ্ৰপন্থীৰ ধাৰাসাৰ গুলীবৰ্ষণ আৰু গ্ৰেনেড আক্ৰমণ শেষ নিশা ২.১৫ বজালৈকে অব্যাহত থাকে। উগ্ৰপন্থীৰ দলটোৱে পাহাৰৰ শিখৰৰ পৰা ঘেৰি লৈ চিআৰপিএফৰ কেম্পটোত আক্ৰমণ কৰে। প্ৰথমে গ্ৰেনেডেৰে আক্ৰমণ কৰে আৰু এটা গ্ৰেনেড নাছিৰুদ্দিন সৰকাৰ আৰু নিহত বাহিনীটোৰ জোৱানজনৰ কাষতে বিস্ফোৰিত হয়। সেই আঘাতত দুয়োৰে মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। ঘটনা সন্দৰ্ভত মণিপুৰ আৰক্ষীয়ে সংবাদ মাধ্যমক জনোৱা মতে, কুকি উগ্ৰপন্থীৰ দলটোৱে প্ৰায় দুঘণ্টা ধৰি চিআৰপিএফৰ কেম্পটোত ধাৰাসাৰ গুলীবৰ্ষণ কৰিছিল। লগতে পাহাৰৰ শিখৰৰ পৰা গ্ৰেনেড নিক্ষেপ কৰিছিল। গভীৰ নিশা উগ্ৰপন্থীয়ে চলোৱা আক্ৰমণটোৰ প্ৰত্যুত্তৰ দিয়াৰ সুযোগেই নাপালে চিআৰপিএফৰ দলটোৱে।

# ENGLISH NEWS SECTION

## Successful Completion of Byatikram's Medical Tourism Conclave in Bangladesh

Guwahati, RB News- Byatikram MASDO, a prominent socio-cultural organization in Assam, proudly announces the successful culmination of the 'Medical Tourism Conclave' held on Sunday, April 21, at the esteemed Dhaka Club in Dhaka, Bangladesh. The event, commencing at 10 am, aimed to foster collaboration between healthcare institutions in Eastern India and Bangladesh, paving the way for enhanced medical treatment and healthcare solutions across the two regions.““The conclave saw the esteemed presence of Md. Shahriar Alam, Hon'ble MP, Former State Minister, Ministry of Foreign Affairs, Government of Bangladesh; Samshul Arefin, Chairman Bangladesh Foundation for Regional Studies and Coordinator, Friends of Bangladesh; and Dr. Rita Chowdhury, Eminent Indian Poet and Novelist, Dr. Shah Mohammad Tanvir Monsur, Director General, Ministry of Foreign Affairs, Govt. of Bangladesh alongside



other distinguished Doctors, Surgeons, and Healthcare Administrators from both the nations.

## Afghan journalist imprisoned by Taliban, PEC demands release of all detained scribes

RB News- Press Emblem Campaign (PEC), the global media safety and rights body, expressed concern over the imprisonment of Habib-ur-Rahman Taseer, a local Afghan journalist associated with Radio Azadi/Radio Free Europe. According to Afghanistan Journalist Center, Taseer was detained by the Taliban regime of Afghanistan on 6 April and lately he has been sent to jail. Taseer was reportedly detained for preparing local reports for Radio Azadi and his smartphone was seized and checked without his consent. The Ghazni-based journalist was also asked to exit from a joint whatsapp group of journalists. “It's worrisome that a dedicated scribe like Habib-ur-Rahman Taseer remains under detention for his works as a media person. The Taliban regime must release



him urgently along with over 55 Afghan journalists and media workers who were arrested in the last few months,” said Blaise Lempen, president of PEC (www.pressemblem.ch). Lempen also expressed shock over the killing of a Pakistani journalist last month and demanded justice for the bereaved family, saying “Jam Saghir is the 30th journalist killed this year. Pak government in Islamabad must investigate the matter and nab the culprits involved with the crime.” Jam Saghir Ahmed Lar, who used to work for Daily Khabrain from Punjab province of Pakistan, was shot dead by three armed men on 14 March last. PEC's south & southeast Asia representative Nava Thakuria revealed that since 1 January 2024, two journo-casualties have been reported from Myanmar (which lost Ko Myat Thu Tun to military atrocities) along with Pakistan. Last year, Pakistan lost Imtiaz Baig, Ghulam Asghar Khand and Jan Mohammed Mahar to assailants, where India witnessed the killing of Shashikant Warishe, Abdur Rauf Alamgir and Vimal Kumar Yadav. Similarly, Ashiqul Islam and Golam Rabbani Nadim lost their lives in Bangladesh, where Husein Naderi and Akmal Nazari were killed in Afghanistan.

## U20 Asian Athletics: Indian athletes bag four gold on second day



RB News- Indian athletes continued their dominant show at the U20 Asian Athletics Championships in Dubai as they clinched four gold medals on the second day of the tournament. Ranvir Singh in men's 3000m steeplechase and Ekta Dey in women's 3000m steeplechase won the gold medals along with Anurag Singh Kaler in men's shot put and Pavana Nagaraj in women's long jump.

## Kerala Blasters FC parted ways with Ivan Vukomanovic



RB News- Kerala Blasters FC (KBFC) on Friday announced that the club has parted ways its Head Coach, Ivan Vukomanovic. Having joined the Club in 2021, Ivan Vukomanovic has left an indelible mark on the club. Under his stewardship, the Club qualified for the ISL playoffs consecutively for three years, including a ISL runners-up finish in his maiden season.

## Wushu World Cup Qualifying Championships: India win seven medal in China




A total of seven medals were bagged by the Indian wushu players which included two gold at the International Wushu Invitational Tournament 2024, held in Jiangyin, China, from April 21 to 26. The tournament was also served as a supplementary qualifier for 3rd Taolu World Cup 2024 and 10th Sanda World Cup 2024 event.

## TMKOC Fame Actor Gurucharan Singh Goes Missing

RB News- Gurucharan Singh, who played the role of Roshan Singh Sodhi in the popular TV sitcom, 'Taarak Mehta Ka Ooltah Chashmah', has been missing since April 22. The Delhi Police has filed a kidnapping case in this regard. Gurucharan Singh's father, Hargit Singh, lodged a missing complaint at the Palam police station in Delhi on Friday. The police registered an FIR under Section 365 of the Indian Penal Code (IPC). The 50-year-old TV actor was to leave for Mumbai from Delhi's Indira Gandhi International Airport at 8:30 am on April 22.However, he did not take the flight to Mumbai, police said in its initial investigation.

# ২৬১ ৰান কৰিও পৰাস্ত হ'ল কলকাতা নাইট ৰাইডাৰ্চ




ৰঙিলী বাৰ্তাসেৱা- ২৬১ ৰান কৰিও পৰাস্ত হ'ল কলকাতা নাইট ৰাইডাৰ্চ। ইডেন গাৰ্ডেনত অনুষ্ঠিত আইপিএলৰ হাইস্ক'ৰিং মেচখনত পঞ্জাৱে কিংছে ঘৰুৱা দল কলকাতা নাইট ৰাইডাৰ্চক ৮ উইকেটত পৰাস্ত কৰে। মেচখনত কলকাতাই জয়ৰ বাবে বান্ধি দিয়া ২৬২ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি অ'পেনাৰ জ'নী বেয়াৰষ্টৰ দুৰ্দান্ত অপৰাজিত শতক আৰু শশাংক সিঙৰ বিস্ফোৰক অপৰাজিত অৰ্ধশতকৰ সহায়ত পঞ্জাৱে ১৮.৪ অভাৰত দুটা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। বেয়াৰষ্টই ৪৮ টা বলত ৮ টা চাৰি আৰু ৯ টা ছয়েৰে ১০৮ ৰান কৰি অপৰাজিত হৈ থকাৰ বিপৰীতে শশাংকই ২৮ টা বলত দুটা চাৰি আৰু ৮ টা ছয়েৰে ৬৮ ৰান কৰি অপৰাজিত হৈ থাকে। অ'পেনাৰ প্ৰভছিমৰন সিঙে ২০ টা বলত ৫৪ ৰানৰ অৰিহণা আগবঢ়ায়। বেয়াৰষ্ট' আৰু শশাংকই তৃতীয় উইকেটৰ যুটিত অপৰাজিতভাৱে ৮৪ ৰান সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি অ'পেনাৰদ্বয় ফিল ছল্ট আৰু সুনীল নাৰিনৰ বিস্ফোৰক অৰ্ধশতকৰ সহায়ত কলকাতা নাইট ৰাইডাৰ্চে নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেট হেৰুৱাই ২৬১ ৰান সংগ্ৰহ কৰে। প্ৰথম উইকেটৰ যুটিত ১৩৮ ৰান সংগ্ৰহ কৰি ফিল ছল্ট আৰু সুনীল নাৰিনে কলকাতাক বিস্ফোৰক আৰম্ভণি দিয়ে। নাৰিনে ৩২ টা বলত ৯ টা চাৰি আৰু ৪ টা ছয়েৰে ৭১ ৰান কৰাৰ বিপৰীতে ছল্টে ৩৭ টা বলত ছটা চাৰি আৰু ছটা ছয়েৰে ৭৫ ৰান কৰে। ভেংকটেশ আয়াৰে ২৩ টা বলত ৩ টা চাৰি আৰু ২ টা ছয়েৰে ৩৯ ৰান কৰে। ইফালে আন্দ্ৰে ৰাছেলে ১২ টা বলত ২৪ আৰু অধিনায়ক শ্ৰেয়াছ আয়াৰে ১০ টা বলত ২৮ ৰানৰ অৰিহণা আগবঢ়ায়। পঞ্জাৱ কিংছৰ হৈ অৰ্শদীপ সিঙে সৰ্বাধিক দুটা উইকেট লাভ কৰাৰ লগতে ছেম কৰণ, হৰ্ষল পেটেল আৰু ৰাহুল চহৰে এটাকৈ উইকেট লাভ কৰে।

# কোনো ৰান নিদিয়াকৈ সাতটা উইকেট দখল কৰি অভিলেখ স্থাপন ৰোহমালিয়াৰ



ৰঙিলী বাৰ্তাসেৱা- কোনো ৰান নিদিয়াকৈ সাতটা উইকেট দখল কৰি টি-২০ ক্ৰিকেটত বিশ্ব অভিলেখ স্থাপন কৰিলে এগৰাকী অখ্যাত বলাৰে। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত বলিং ফিগাৰৰ সৰ্বোত্তম অভিলেখ স্থাপন। ইণ্ডোনেছিয়া আৰু মংগোলীয়া মহিলা দলৰ মাজত অনুষ্ঠিত খেলখনত এই অভিলেখ স্থাপন। ইণ্ডোনেছিয়াৰ কিশোৰী ৰোহমালিয়াই মেচখনত কোনো ৰান নিদিয়াকৈ সাতটা উইকেট দখল কৰি বিশ্ব অভিলেখ স্থাপন কৰে। ইণ্ডোনেছিয়াৰ ১৭ বছৰীয়া বলাৰগৰাকীয়ে মংগোলীয়ৰ বিৰুদ্ধে খেলা মেচখনত মাত্ৰ ৩.২ অভাৰ বলিং কৰি সাতটা উইকেট দখল কৰে। ৰোহমালিয়াৰ বিধ্বংসী বলিঙত ২৪ ৰানতে ইনিংছ সামৰে মংগোলীয়াই। উল্লেখ্য যে ৰোহমালিয়াৰ পূৰ্বে নেদাৰলেণ্ডছৰ মহিলা ক্ৰিকেটাৰ ফ্ৰেডেৰিক অভাৰডাইকে টি-২০ ক্ৰিকেটত সৰ্বশ্ৰেষ্ঠ বলিং প্ৰদৰ্শন কৰিছিল। ২০২১ চনৰ মহিলা টি-২০ বিশ্বকাপৰ ইউৰোপীয় কোৱালিফায়াৰত ফ্ৰান্সৰ বিৰুদ্ধে ফ্ৰেডেৰিকে ৭টা উইকেট দখল কৰিছিল। কিন্তু তেওঁ চাৰি অভাৰ বলিং কৰি ২ ৰান দিছিল।

# টি-২০ বিশ্বকাপৰ ব্ৰেণ্ড এম্বেছেডৰ হিচাপে যুৱৰাজ সিঙক নিযুক্তি



ৰঙিলী বাৰ্তাসেৱা- আগন্তুক আইচিচি পুৰুষ টি-২০ বিশ্বকাপৰ এম্বেছাডৰ হিচাপে নিৰ্বাচিত হৈছে টীম ইণ্ডিয়াৰ প্ৰাক্তন তাৰকা অলৰাউণ্ডাৰ যুৱৰাজ সিং। টি-২০ বিশ্বকাপলৈ ৩৬ দিন বাকী থকা অৱস্থাত যুৱৰাজ সিঙক এই দায়িত্ব দিয়া হৈছে। আইচিচিৰ ঘোষণাৰ পিছত যুৱৰাজ সিঙে টি- ২০ বিশ্বকাপত মোৰ বহু সুখৰ মুহূৰ্ত আছে। তাৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ হ'ল এটা অভাৰত ছয়টা ৬। গতিকে এই বাৰ বিশ্বকাপৰ সৈতে জড়িত হোৱাটো বৰ ভাল কথা। এইবাৰ বিশ্বকাপ অনুষ্ঠিত হ'ব বেষ্ট ইণ্ডিজ আৰু বিশ্বৰ সৰ্বশক্তিমান দেশ আমেৰিকাত। তাৰ বাবে যুৱৰাজ সিং অধিক উৎসাহিত। ২০১১ চনৰ এদিনীয়া বিশ্বকাপ জয় কৰাত ভাৰতীয় দলটোৰ হৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা যুৱৰাজ সিঙে কয় যে ৱেষ্ট ইণ্ডিজ ক্ৰিকেটৰ বাবে এক আদৰ্শ স্থান। পৃথিৱীৰ এনে এটা অংশ য'ত সকলোৱে ক্ৰিকেট ভাল পায়। ইয়াৰ উপৰি প্ৰথমবাৰৰ বাবে আমেৰিকাত ইমান ডাঙৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে ক্ৰিছ গেইল আৰু উছেইন ব'ল্টৰ পিচত যুৱৰাজ সিঙক আই চি চিয়ে এই দায়িত্ব প্ৰদান কৰে।

# ছানৰাইজাৰ্চ হায়দৰাবাদক ৩৫ ৰানত পৰাস্ত কৰে আৰ চি বিয়ে



ৰঙিলী বাৰ্তাসেৱা- ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৱে চলিত আইপিএলত দ্বিতীয়টো বিজয় সাব্যস্ত কৰিছে। হায়দৰাবাদত অনুষ্ঠিত মেচখনত আৰচিবিয়ে ঘৰুৱা দল ছানৰাইজাৰ্চ হায়দৰাবাদক ৩৫ ৰানত পৰাস্ত কৰে। মেচখনত বেংগালুৰুৱে জয়ৰ বাবে বান্ধি দিয়া ২০৭ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি- শ্বাহবাজ আহমেদৰ অপৰাজিত ৪০, অ'পেনাৰ অভিষেক শৰ্মাৰ ৩১, অধিনায়ক পেট কামিনছৰো ৩১ ৰানৰ সহায়ত ছানৰাইজাৰ্চে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৭১ ৰান কৰে। ট্ৰেভিছ হেডৰ লগতে এইডেন মাৰ্কৰাম আৰু হেনৰিচ ক্লাছেন সম্পূৰ্ণ ব্যৰ্থ হয়। চলিত প্ৰতিযোগিতাখনত দুৰ্দান্ত ফৰ্মত থকা হেডে মাত্ৰ ১ ৰান কৰাৰ বিপৰীতে মাৰ্কৰাম আৰু ক্লাছেন উভয়ে ৭ ৰান কৰে। উল্লেখ্য যে বেংগালুৰুৱে এতিয়ালৈকে ৯ খন মেচ খেলি ৭ খনত পৰাজয়ৰ সন্মুখীন হৈছে। বিপৰীতে ছানৰাইজাৰ্চে ৮ খন মেচৰ পৰা ১০ পইন্ট সংগ্ৰহ কৰি পইন্ট তালিকাৰ তৃতীয় স্থানত আছে। প্ৰথমে বেটিং কৰিবলৈ আহি আৰচিবিৰ বিৰাট কোহলি আৰু ৰজত পাটিদাৰৰ দৰ্শনীয় অৰ্ধশতকৰ সহায়ত ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৱে নিৰ্ধাৰিত ২০ অভাৰত ৭ টা উইকেট হেৰুৱাই ২০৬ ৰান সংগ্ৰহ কৰে। আৰচিবিৰ হৈ কোহলি আৰু অধিনায়ক ফাফ ডু প্লেচিছে আক্ৰমণাত্মক আৰম্ভণি কৰে যদিও দলীয় স্ক'ৰ ৪৮ ৰানত ডু প্লেচিছে বিদায় লয়। অধিনায়কগৰাকীয়ে ১২ বলত ২৫ ৰান কৰে। ডু প্লেচিছ আউট হোৱাৰ কিছু সময়ৰ পিছতে উইল জেকছে মাত্ৰ ৬ ৰান কৰি বিদায় লয়। অৱশ্যে ৪৩ টা বলত ৪ টা চাৰি আৰু ১ টা ছয়েৰে ৫১ ৰান কৰা কোহলিয়ে পাটিদাৰৰ সৈতে তৃতীয় উইকেটত ৬৫ ৰান সংগ্ৰহ কৰি দলটোক সবল - স্থিতিত উপনীত কৰায়। পাটিদাৰে মাত্ৰ ২০ টা বলত ২ টা চাৰি আৰু ৫ টা ছয়েৰে ৫০ ৰানৰ দৰ্শনীয় ইনিংছ খেলে। ইফালে কেমেৰন গ্ৰীনে ২০ টা বলত ৫টা বাউণ্ডেৰীৰে ৩৭ ৰান কৰি অপৰাজিত হৈ থাকে। মহিপাল ল'মৰ'ৰে ৭ ৰান কৰি বিদায় লোৱাৰ লগতে দীনেশ কাৰ্তিকে ৬ টা বলত ১১ আৰু স্বপ্নীল সিঙে ছটা বলত ১২ ৰানৰ অৰিহণা আগবঢ়ায়। ছানৰাইজাৰ্চ হায়দৰাবাদৰ হৈ জয়দেব উনাদকাটে সৰ্বাধিক ৩ টা উইকেট লাভ কৰাৰ লগতে টি নটৰাজনে ২ টা, পেট কামিনছ আৰু মায়ং মাৰকাণ্ডে উভয়ে এটাকৈ উইকেট লাভ কৰে।

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286